
কবি ৰামসৰস্বতী বিৰচিত

# ভীম-চৰিত



সম্পাদনাত :

শ্ৰীতিলক চন্দ্ৰ মজুমদাৰ

REFERENCE COPY
( NOT FOR ISSUE )

কবি ৰামসৰস্বতী বিৰচিত

# ভীম-চৰিত

30539
29/10/04

( কাব্যৰ মূলপাঠ,গদ্যৰূপ আৰু শব্দাৰ্থ )

891.0454048/MAJ

১। কবি ৰামসৰস্বতীৰ চমু পৰিচয় [ পৃঃ খ ]
২। ভীম-চৰিত-কথা [ পৃঃ ১–২৬ ]
৩ ভীম-চৰিত কাব্য ( মূলপাঠ ) [ পৃঃ ১৮ ]

শ্ৰীতিলক চন্দ্ৰ মজুমদাৰ এম,এ
অধ্যাপক, নগাঁও ছোৱালী কলেজ
নগাঁও ঃ অসম

SOUL
Mahesh Ch. Dev Goswami Library
Nowgong Girls' College

জ্যোতিৰেখা
শ্ৰীউপমা মজুমদাৰ বি-এ, বি-টি,
আমোলাপট্টি ঃ প্ৰতাপ শৰ্মা পথ
নগাঁও ঃ অসম

দ্বিতীয় প্ৰকাশ ঃ
১৯৭৬ ( ১৫ মে' )

বেটুপাত শিল্পী ঃ
শ্ৰীননী বৰপূজাৰী

ছপা ঃ
সুছন্দা প্ৰেছ
নগাঁও ঃ অসম

মূল্য : ২'০০ টকা

30539/04
KOHA
Mahesh Ch. Dev Goswami Library
Nowgong Girls' College

# আমাৰ নিবেদন

অসম মাধ্যমিক শিক্ষা-পৰিষদে ৰাম সৰস্বতী বিৰচিত ভীম-চৰিত নামৰ সৰু কাব্যখনি বিদ্যালয় পৰ্যায়ৰ পাঠ্য-পুথি নিৰ্বাচন কৰাটো সন্তোষৰ কথা। এই কাব্যখনি ষোড়শ শতিকাৰ অসমীয়া ভাষাত ৰচিত। সেই সময়ৰ অসমীয়া ভাষা-সাহিত্য কিমান চহকী আৰু মনোগ্ৰাহী আছিল তাক ছাত্ৰ-ছাত্ৰীয়ে জনাটো অত্যন্ত আৱশ্যক। চৰ্চা বা অধ্যয়নৰ অভাৱত প্ৰাচীন অসমীয়া ভাষা-সাহিত্য দুৰ্বোধ্য হৈ পৰিবলৈ উপক্ৰম কৰিছে।

ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ কবিচন্দ্ৰ ৰাম সৰস্বতীৰ ভীম-চৰিত কাব্যখনি আজিকোপতি সম্পাদনা কৰি উলিওৱা হোৱা নাই। যাৰ ফলত ছাত্ৰ-ছাত্ৰীয়ে পৰিচ্ছাৰকৈ সকলো কথা বুজাত অসুবিধা পাইছে যেন ভাব হয়।

কেইগৰাকীমান সদাশয় শিক্ষক-শিক্ষয়িত্ৰীৰ দিহা-পৰামৰ্শ-মতে 'ভীম-চৰিত' ছাত্ৰ-ছাত্ৰীৰ উপযোগীকৈ সম্পাদনা কৰি উলিয়াবলৈ প্ৰয়াস কৰা হৈছে। হাস্য-ৰস সৃষ্টি কৰাত প্ৰাচীন অসমীয়া কবি কিমান পাকৈত আৰু প্ৰতিভাশালী আছিল, তাৰ আভাস আমাৰ সম্পাদিত পুথিৰ পৰা ছাত্ৰ-ছাত্ৰীয়ে সহজে লাভ কৰিব পাৰিব বুলি আমাৰ বিশ্বাস। এই সম্পৰ্কত আমাক উৎসাহিত কৰা সুধীবৃন্দলৈ কৃতজ্ঞতা আগবঢ়োৱা হ'ল।

নগাঁও ছোৱালী কলেজ
নগাঁও ঃ অসম

শ্ৰীতিলক চন্দ্ৰ মজুমদাৰ

## কবি ৰামসৰস্বতীৰ চমু পৰিচয় :

ষোড়শ শতিকাত প্ৰাচীন কামৰূপত কবিৰাজ **ৰামসৰস্বতী** নামেৰে এজনা প্ৰখ্যাত কবি আছিল । আচলতে ৰামসৰস্বতী তেওঁৰ এটা উপাধিহে । তেওঁৰ ঘৰুৱা নাম আছিল **অনিৰুদ্ধ** । ৰামসৰস্বতীৰ দেউতাক ভীমসেন কবি চূড়ামণি এজন বৈষ্ণৱ পণ্ডিত আছিল । ৰামসৰস্বতীৰ জন্ম ঠাই আছিল পচৰীয়া ( কিছুমানৰ-মতে চমৰীয়া ) নামৰ এখনি গাঁও ।

মহাৰাজ নৰনাৰায়ণৰ অনুপ্ৰেৰণাত অনিৰুদ্ধই মহাভাৰতৰ পদ ৰচনা কৰিছিল । এইজনা মহাৰাজে তেওঁক ৰামসৰস্বতী উপাধি প্ৰদান কৰিছিল । নানা ঠাইৰ পৰা নানা পুথি মহাৰাজে আনি দিছিল আৰু ৰামসৰস্বতীয়ে পুথিবোৰ পঢ়ি অসংখ্য মূল্যবান অসমীয়া সাহিত্য ৰচিছিল । প্ৰাচীন যুগত বেদব্যাস নামৰ এজন কবিয়ে সংস্কৃত ভাষাত মহাভাৰত ৰচনা কৰাৰ দৰে ৰামসৰস্বতীয়ে অসমীয়া ভাষাত মহাভাৰতৰ ৰচনা কৰে । সেই কাৰণে ৰামসৰস্বতীক 'অসমীয়া বেদব্যাস' বোলা হয় । মহাভাৰতৰ বিভিন্ন পৰ্ব কাব্য-ৰূপত অনুবাদ কৰা বাবে ৰামসৰস্বতীয়ে কবিচন্দ্ৰ, ভাৰতভূষণ, ভাৰতচন্দ্ৰ আদি উপাধিও লাভ কৰিছিল ।

মহাভাৰতৰ পদ ৰচনা কৰাৰ উপৰিও, জন-জীৱনৰ লগত সম্পৰ্ক থকাকৈ ৰামসৰস্বতীয়ে মৌলিক প্ৰতিভাৰে কেবাখনিও সুন্দৰ সুন্দৰ পুথি ৰচনা কৰে । তেওঁৰ ৰচিত এই পুথিবোৰ 'বধ-কাব্য' নামে জনাজাত । 'কুলাচল বধ', 'বকাসুৰ বধ', 'খটাসুৰ বধ', 'অশ্বকৰ্ণৰ যুদ্ধ', 'জঙ্ঘাসুৰ বধ', 'ভোজকট বধ' আদি তেওঁৰ অতি আকৰ্ষণীয় পুথি । এই কাব্যবোৰ পঢ়ি বা শুনি সকলোৱে মনত আনন্দ পায় । তেওঁ ৰচিত সকলো সাহিত্য অসমীয়া সমাজৰ অতি আপোন ।

**ভীম-চৰিত** : ৰামসৰস্বতীয়ে ৰচনা কৰা এখনি সৰু, অথচ অতি মনোমোহা অনুপম কাব্য । কবিয়ে মহাভাৰতৰ 'আদি পৰ্ব'ৰ ছাঁ লৈ পুথিখন লিখিছে যদিও ইয়াৰ কাহিনী সম্পূৰ্ণৰূপে অসমীয়া সমাজৰ অতি আপোন । অসমীয়া লোকৰ মাত-কথা, জতুৱা-ঠাচ, চলন-ফুৰণ, ৰীতি-নীতি আদিৰ সজীৱ বৰ্ণনাৰে কবিয়ে পুথিখন উপভোগ্য কৰি তুলিছে । পুথিখনৰ আটাইতকৈ মন কৰিবলগীয়া কথা হ'ল হাস্যৰস । ভীমৰ ল'ৰালি কালৰ বল, বুধি, সাহস, উদ্ভণ্ডালি, ধিতিঙালি আদি দেখি কোনেও নাহাঁহি থাকিব নোৱাৰে । হাঁহিৰ খোৰাক যোগাব পৰাকৈ ইমান আকৰ্ষণীয় বৰ্ণনা দাঙি ধৰিব পৰা কবি-সাহিত্যিক খুব কমহে পোৱা যায় । এই প্ৰসঙ্গত ৰামসৰস্বতীৰ নাম বিশেষভাৱে উল্লেখযোগ্য । ০ ০ ০

# ভীম-চৰিত-কথা

### পাণ্ডৱ আৰু কৌৰৱ :

হস্তিনা এখন প্ৰাচীন নগৰ । আজি-কালিৰ দিল্লীৰ ওচৰত এই নগৰ অৱস্থিত আছিল । বহু বছৰ আগে ইয়াত এজন ৰজাই ৰাজত্ব কৰিছিল । তেওঁৰ নাম বিচিত্ৰবীৰ্য্য । ধৃতৰাষ্ট্ৰ আৰু পাণ্ডু নামৰ তেওঁৰ দুজন পুতেক আছিল । ধৃতৰাষ্ট্ৰ ডাঙৰ আৰু পাণ্ডু সৰু । পিতাকৰ পিচত বৰ পুতেকে ৰাজপাট পাব লাগিছিল, কিন্তু বৰ পুতেক ধৃতৰাষ্ট্ৰ অন্ধ আছিল । সেইবাবে সৰু পুতেক পাণ্ডু ৰাজ্যৰ ৰজা হয় ।

ধৃতৰাষ্ট্ৰৰ এশ পুতেক । দুৰ্যোধন দুঃশাসন আদি । এই এশ পুত্ৰ 'কৌৰৱ' নামে জনাজাত । পাণ্ডুৰ পুতেক পাঁচোটা । নাম যুধিষ্ঠিৰ, ভীম, অৰ্জুন, নকুল আৰু সহদেৱ । এওঁলোকক পাণ্ডৱ বোলা হয় । পুত্ৰ পাঁচোটিক তেনেই কম বয়সতে এৰি থৈ পাণ্ডু ইহ-সংসাৰৰ পৰা বিদায় মাগে । পাঁচ পাণ্ডৱ নাবালক আছিল বাবে ধৃতৰাষ্ট্ৰই ৰাজ্য পৰিচালনা কৰে । অন্ধৰাজৰ আশ্ৰয়তে পাঁচ-পাণ্ডৱে দিন কটাবলৈ ধৰিলে । ৰজা ধৃতৰাষ্ট্ৰৰ প্ৰথম পুত্ৰ দুৰ্যোধন । এওঁ পাণ্ডুৰ প্ৰথম পুত্ৰ যুধিষ্ঠিৰতকৈ বয়সত সৰু । গতিকে বয়সত ডাঙৰ যুধিষ্ঠিৰহে ৰাজ্যৰ ৰজা হ'ব । সেইবাবে অন্ধ ৰজাৰ মনত বৰ দুখ ।

### কৌৰৱ শিশুহঁতৰ লগত ভীমৰ খেলা-ধূলা :

ৰজা ধৃতৰাষ্ট্ৰই পাঁচ-পাণ্ডৱক সমূলি দেখিব নোৱাৰে । নাবালক ল'ৰা কেইটিৰ দুখ-কষ্টৰ সীমা নোহোৱা হ'ল । সিহঁতে ভাল কাপোৰ পিন্ধিবলৈ নোপোৱা হ'ল ; খাবলৈ ভাল বস্তু নোপোৱা হ'ল । অন্ধ ৰজাই ছল চাই শিশুকেইটিক নানা দুখ দিবলৈ ধৰিলে ।

ধৃতৰাষ্ট্ৰৰ এশ পুতেক পাণ্ডৱৰ খেলৰ লগৰীয়া । একেলগে ফুৰে, একেলগে খেলে আৰু একেলগে থাকে । পাণ্ডুৰ দ্বিতীয় পুতেক ভীম মহাবলী, সাহসী আৰু চতুৰ । কোনো এজন ল'ৰাই তাৰ সমান বলী আৰু সাহসী নাছিল । খেলা-ধূলাত ভীম সকলোটিৰে

ওপৰত ৰজা। কৌৰৱ শিশুহঁতক ভীমে দলি মাৰি দূৰত পেলায়। সিহঁতৰ পৰা লাড়ু, খীৰ কাঢ়ি কাঢ়ি খায়। কোনোৱে গালি পাৰিলে চৰিয়াই গাল ভাঙে। সাত-পাঁচ শিশু লগ লগাই হাল জোৰে, টনা-আজোৰা কৰি শৰীৰৰ ছাল ছিঙে। কিছুমানক ঢোপ দলিওৱাদি দলিয়ায়। বেচেৰা কৌৰৱহঁত! সিহঁতে মুখেৰে একো ক'ব নোৱাৰে! ঠোঁট-মুখ চেলেকি ঘৰ্‌ঘৰি গুচি যায়। কান্দি কান্দি দেউতাকৰ আগত নিজৰ দুৰ্দশাৰ কথা জনায়। হাজাৰ হওঁক, সিহঁত ৰজাৰ নিজৰ পুতেক। কোন সতেনো দেউতাকে পুতেকহঁতৰ অত কষ্ট সহ কৰি থাকে! ৰজাই মনত বৰ বিষাদ পায়।

এদিনাখন কৌৰৱ শিশুহঁতে পকা জামু খাবলৈ যাবলৈ ঠিক কৰিলে। সিহঁতে ভীমক এই কথা নজনালে। জনাবই বা কিয়? ভীম লগত থাকিলে কৌৰৱহঁতে ভাল জামু এটিও খাবলৈ নাপায়। ভীমে সিহঁতৰ হাতৰ পৰা পকা জামুবোৰ কাঢ়িহে খায়।

কৌৰৱ শিশুহঁত গৈ জামু গছৰ তল পালে। সিহঁতৰ কিছুমান গছত উঠিল। কিছুমানে খুচি মনে তলত জামু ফল বুটলিবলৈ ধৰিলে। সিফালে ভীমে লগৰ শিশুহঁতক লগ নাপাই বিচাৰি চলাথ কৰিলে। কিন্তু কোনো এজনকে লগ পোৱা নাই। দুৰ্যোধন, শকুনি, বিকৰ্ণ, দুঃশাসনক ভীমে নাম ধৰি ধৰি চিঞৰিলে। 'মোক তহঁতে কিয় এৰি গলি'—বুলি মাতি মাতি সি আগবাঢ়ি গ'ল। খোজ 'গুড়ি-গুড়ি' গৈ, ভীম জামুগছৰ তল পালেগৈ। ভীমক দেখি আটাইকেইটিৰে জীৱ উৰি গ'ল। সিহঁতে এতিয়া জামুৰ সোৱাদ বাকৈয়ে পাব নহয়! সকলোটি নিৰুপায় হ'ল। ভয়তে ভীমৰ হাতত পকা ফল যাচিলে; চৰণত পৰি ক্ষমা খুজিলে। ভীম তহঁতৰ কথা শুনা বিধৰ নহয়। ধমকি দি সিহঁতক ক'বলৈ ধৰিলে: "সিহঁতৰ পকা জামু মোক নালাগে। মোৰ জানো পাৰি খাবলৈ হাত নাই? মোক এৰি থৈ জামু খাবলৈ আহি মাৰ-কিলৰ ভয়ত ফল যাচিছ? এতিয়া তাৰ প্ৰতিফল পাবি নহয়! ভবিষ্যতে যেন আৰু এনে নকৰ।"

এসেকা দিবলৈ বুলি ভীমে গছডালত ধৰিলেগৈ। গছডাল জোকাৰি দিলে। গছত উঠি জামু খাই থকা শিশুহঁতৰ এতিয়া জামু মুখেৰে ওলায়হে! ভয়ত সিহঁতৰ ধাতু উৰি গ'ল। গছৰ ডালত সাৱটি ধৰিলে। ভীমক কাবৌ-কাকালি কৈ ক'বলৈ ধৰিলে: "আজিৰ



পৰা আমি তোমাক এৰি থৈ নাহোঁ। সদায় লগ লম। তোমাৰ কথা মতে চলিম। আজিৰ কাৰণে আমাক এৰি দিয়া।" ভীম শুদাই এৰা ভকত নহয়! এইবাৰ জোৰেৰে গছ জোকাৰিবলৈ ধৰিলে। কিন্তু কি আচৰিত কথা! ঠাট্‌কাৰ শব্দ উঠিল আৰু লগে লগে গছ ভাঙি পৰিল। এতিয়া শিশুহঁতৰ বিলৈ-বিপত্তি কোনে চায়! কিছুমানৰ হাত ভাঙিল, কিছুমানৰ ভৰি ভাঙিল। অনেক জন অচেতন হৈ পৰি থাকিল। চেতনা ঘূৰি অহাত সিহঁত ঘৰলৈ গ'ল। সিহঁতে ৰজা ধৃতৰাষ্ট্ৰক সকলো কথা জনালে।

**ধৃতৰাষ্ট্ৰৰ বিষাদ : ভীমক মাৰিবলৈ ষড়যন্ত্ৰ :**

ভীমৰ অতপালিৰ কথা শুনি ৰজাৰ বুকুত শাল মাৰি ধৰিলে। ৰাজ-দূতক ভঙা জামু গছ চাবলৈ পঠালে। দূতে গছ চাই আহি ৰজাৰ আগত সকলো কথা ক'লে। নিজৰ পুতেকহঁতক ভীমে ইমান শাস্তি বিহিছে, পিতৃ হৈ জানো ৰজাই তাক চাই থাকিব পাৰে? তেওঁ একেবাৰে অস্থিৰ হৈ পৰিল। পুতেকহঁতৰ বিধিনি দূৰ কৰিব নোৱাৰিলে তেওঁ শান্তি নাপায়। সেয়েহে ভীমক একেবাৰে মাৰি শেষ কৰাৰ কথা ভাবিলে।

ভীমক মাৰিবলৈ ধৃতৰাষ্ট্ৰই এটা ফন্দি উলিয়ালে। নানা ঠাইৰ পৰা নানা বিষ-গোটালে। এইবোৰৰে তেওঁ বিষলাড়ু বনালে। এদিনাখন নিজৰ এশ পুত্ৰ আৰু পাঁচ-পাণ্ডৱক ৰজাই মাতি আনিলে। সকলোকে খাবলৈ অন্ন-লাড়ু হাতে হাতে দিলে। বৰ মৰমেৰে ভীমক খাবলৈ দিলে বিষলাড়ু। ভীমে সেয়া বিষ লাড়ু বুলি নাজানে। হাতত পৰাৰ লগে লগে মুখত পেলাই টপৰাই গিলি পেলালে।

ভীম বায়ু ৰজাৰ পুত্ৰ বুলিও জনাজাত। বায়ু এজন দেৱতা। বিষ খাই ভীম অচেতন হৈ পৰাত বায়ু দেৱতাই সঞ্জীৱনী বতাহ মাৰিলে। বতাহত ভীমৰ শৰীৰৰ বিষ পানী হৈ উৰি গ'ল। সঞ্জীৱনী বতাহত ভীমৰ গাৰ বিষ পানী হোৱা কথাৰ ভু-ভটং অন্ধৰাজে নাপালে। তেওঁ ভাবিলে বিষৰ জালাত ভীম মৰি যাব। সেইকাৰণে ততাতৈয়াকৈ ভীমক ঘৰলৈ পঠিয়াই দিলে।

পিছদিনা ৰাতিপুৱা। ৰজা ধৃতৰাষ্ট্ৰই বৰ আনন্দ মনেৰে বহি

আছে। বিষ খাই ভীম মৰিব বুলি ভাবিয়েই তেওঁৰ আনন্দ। কিন্তু অতি আচৰিত কাণ্ড! তেওঁৰ চকুৰ আগত আকৌ দেখোন ভীম। বিষলাড়ু খাইয়ো নমৰিল। তেওঁ একেবাৰে অধৈৰ্য্য হৈ পৰিল। এইবাৰ ভীমৰ মাথা টিপি চূৰমাৰ কৰি দিবলৈ উদ্যত হ'ল। ৰজাই ভীমক ওচৰলৈ মাতিলে। ভীম আহিল। বায়ু ৰজাই দেখিলে এইবাৰো কথা বিষম। ভীম এতিয়া ধৃতৰাষ্ট্ৰৰ হাতত যমপুৰী পাবগৈ। তেওঁ যোগবলেৰে ততালিকে এটা লোহাৰ প্ৰতিমা সাজি ভীমৰ মাথাত পেলাই দিলে। হোলাৰ ভাই মোলা অন্ধ ৰজাই এই কথাৰ গমকে নাপালে। ভীমৰ মাথা বুলি ভাবি দুই হাতেৰে টিপি লোহাৰ প্ৰতিমাটো চূৰমাৰ কৰি পেলালে। ধৃতৰাষ্ট্ৰৰ টিপাত ভীম মৰা বুলি মাক কুন্তীদেৱীয়ে হুবাওবাৰে কান্দিলে। এনে কুকাৰ্য্য দেখি মহাবীৰ ভীমৰো খং উঠিল। কিন্তু ধৃতৰাষ্ট্ৰই ধেমালিহে কৰা বুলি ক'লে।

**জতুগৃহত পাণ্ডৱ :**

ভীমক মাৰিব নোৱাৰি কু-চিন্তাত ধৃতৰাষ্ট্ৰৰ চকুত টোপনি নহা হ'ল। পাঁচ-পাণ্ডৱ তেওঁৰ চকুৰ কুটা, দাঁতৰ শূল। এইবাৰ পাণ্ডৱক মাৰিবলৈ আন এটা বুদ্ধি পাঞ্জিলে। হস্তিনাৰ বাহিৰত বাৰণাৱত নামৰ ঠাইত অন্ধৰাজে এটা দেখনিয়াৰ ঘৰ সজালে। এই ঘৰটিক 'জতুগৃহ' বোলা হয়। এই ঘৰটি এনে কৌশলেৰে সজালে যেন জুই লগাই দিয়াৰ লগে লগে নিমিষতে পুৰি ছাই হৈ যায়। জতুগৃহত থাকিবলৈ দি পাণ্ডৱক পুৰি মাৰিবলৈ সকলো দিহা কৰা হ'ল। ধৃতৰাষ্ট্ৰই পাণ্ডুৰ বৰ পুতেক যুধিষ্ঠিৰক যুৱৰাজ পতাৰ ঘোষণা কৰিলে। ভীষ্ম, দ্ৰোণ, বিদুৰৰ লগত পাণ্ডৱক ৰাজ্য দিয়াৰ কথা আলোচনা কৰিলে। তেওঁলোকে ধৃতৰাষ্ট্ৰৰ কথা শুনি আনন্দ পালে। কিন্তু ভিতৰত কি কুবুদ্ধিৰ জাল পাতিছে তাক কোনেও জনা নাছিল।

যথাদিনত পাঁচ-পাণ্ডৱে জতুগৃহলৈ যাত্ৰা কৰিলে। লগত মাক কুন্তীদেৱীও গ'ল। মাকৰ লগত আটাইকেইটি পুত্ৰ তাত থাকিবলৈ ললে। কদিনৰ কথা। হঠাৎ গধূলি এজনী চাণ্ডালিনী আহি ওলালহি। লগত পাঁচোটি পুতেক। চাণ্ডালিনীয়ে নিশাটোৰ বাবে পাণ্ডৱৰ ঘৰত আশ্ৰয় বিচাৰিলে। পাঁচ পুত্ৰৰ লগত দুখুনী মাকৰ দুৰ্গতি দেখি কুন্তীয়ে মনত বৰ দুখ পালে। তেওঁ আনন্দৰে সিহঁতক তাত ৰাখিলে। কুন্তীয়ে নিজৰ



পাঁচ-পুতেকৰ লগত আশ্ৰিতাৰ পাঁচ-পুতেকক বৰ আদৰ-সাদৰকৈ ৰাতিৰ সাঁজ খুৱালে। খাই বৈ উঠি ৰাতিটোৰ বাবে আটায়ে শুই থাকিল।

পাণ্ডৱৰ কেতিয়া কি বিপদ ঘটে একো ঠিক নাই। ধৃতৰাষ্ট্ৰৰ আৰু পুতেকহঁতৰ কুমতিতনো কাৰ বিশ্বাস থাকিব পাৰে! সেইবাবে নিশাটো বৰ সাৱধান হৈ চলিবলগীয়া হয়। সিদিনা ৰাতিও ভীমে হাতত গদা লৈ বহি থাকিল। ৰাতি দুই প্ৰহৰ গৈছে। ঠিক সেই সময়ত কৌৰৱে পাণ্ডৱ থকা জতুগৃহত জুই লগাই দিলে। দপ্‌দপ্‌কৈ জুই জ্বলি উঠিল। নিমিষতে জুয়ে ঘৰৰ চাৰিওফালে আগচি ধৰিলে। মুহূৰ্ত্ততে ভীমে এখন হাতেৰে শুই থকা মাক আৰু ভায়েকহঁতক আৰু আনখন হাতেৰে গদাটো ধৰি মাটিত খুব জোৰে প্ৰহাৰ কৰিলে। গদাৰ কোবত মাটিৰ তলত এক প্ৰহৰৰ পথ মুকলি হ'ল। সেই পথেৰে আটাইকেইটি পলাই গ'ল। হায়! বেছেৰী চাণ্ডালিনী পাঁচপুত্ৰৰ লগত চিৰদিনলৈকে চকু মুদি থাকিল। সিহঁতৰ দেহ পুৰি ছাই হৈ গ'ল। কৌৰৱহঁতে এই ছয়টা মৰা-শকে কুন্তী আৰু পাঁচ পাণ্ডৱৰ মৰা-শ বুলি ভাবি মনত বৰ ৰং পালে। কৌৰৱে সিহঁতৰে প্ৰেতকাৰ্য্য আদি বিধিমতে কৰিলে।

**বকাসুৰ বধ :**

পাঁচ-পাণ্ডৱ পলাই গৈ হাবিয়ে-বননিয়ে অনাই-বনাই ঘূৰি ফুৰি এখন নগৰ পালেগৈ। নগৰখনৰ নাম একচক্ৰ। পাঁচ-পাণ্ডৱে বাটত এজন বুঢ়া বামুণ লগ পালে। মাকৰ লগত শিশু পাঁচটিক দেখি তেওঁৰ দয়া উপজিল। সকলোটিকে ঘৰলৈ মাতি নি পৰিচয় সুধি-পুচি বামুণে নিজৰ ঘৰত থাকিবলৈ দিলে। পাঁচ-পাণ্ডৱে গৰু চাৰি, খৰি লুৰি বামুণৰ ঘৰত পেটৰ ভাত মুঠিৰ দিহা কৰিলে।

সেই ৰাজ্যৰ ৰজাজনৰ নাম বকাসুৰ। এটা প্ৰকাণ্ড অসুৰ, দেখিলে পেটতে হাত-ভৰি লুকায়। বকাসুৰৰ ভোজনৰ কথা শুনিলে তবধ মানিব লাগে। ৰাইজে অসুৰৰ ভোজ-ভাত যোগাব কৰি দিব লাগে। নানা খাদ্য-বস্তুৰ লগত বছৰি ভোজনৰ বাবে এজন মানুহো অসুৰলৈ আগবঢ়াব লাগে। অসুৰৰ উপদ্ৰৱৰ পৰা সাৰিবলৈ ৰাইজে মানুহ এটাও খাবলৈ দিয়ে। পাল পাতি প্ৰতি ঘৰৰ পৰা বকাসুৰৰ ভোজনৰ বাবে মানুহ পঠিয়াব লাগে।

যিজন মানুহ অসুৰৰ বলিৰ বাবে অনা হয়, সেইজনক দিনত ৰজা পাতি আসনত বহুৱাই থয়। কিন্তু ৰাতি অসুৰে জীয়াই জীয়াই বধ কৰি খায়। এইদৰে মানুহ খাই খাই অসুৰে ৰাজ্যখন উচন্ কৰি পেলাইছে।

এদিন ভীমহঁত থকা বুঢ়া বামুণৰ ঘৰত বকাসুৰৰ দূত উপস্থিত। বকাসুৰৰ ভোজনৰ বাবে মানুহ পঠিওৱাৰ পাল পৰাৰ কথা জনাই দূতে এজনক বলি হৈ ওলাবলৈ ক'লে। বামুণৰ ঘৰত তিনিটা প্ৰাণী। বামুণ, বামুণী আৰু তেওঁলোকৰ চকুৰ মণি — এটি পুত্ৰ। দূতৰ মুখত তেওঁলোকৰ ঘৰৰ পাল পৰা খবৰ পাই ভয়ত বামুণৰ মূৰত সৰগ ভাগি পৰিল। মাক-দেউতাক আৰু পুতেক তিনিটাই ইনাই-বিনাই কান্দিবলৈ ধৰিলে। বামুণীক আশ্বাস দি বামুণে ক'লে: "মই বলি হ'বলৈ যাওঁ। তই পুত্ৰক ভালদৰে পালন কৰিবি।" স্বামী মৰি বিধবা হৈ থকাতকৈ নিজে মৰাই ভাল। সেয়েহে বামুণীয়ে চকুপানী টুকি টুকি ক'লে: "স্বামীদেৱতা! তুমি কিয় বলি হ'বলৈ যাবা? মই যাওঁ। তুমি বাচাধনক ভালদৰে চাবা।" মাক বা পিতাক অবিহনে পুত্ৰৰ জীৱন দুখময়। সেইকাৰণে পুতেকে মাকৰ মুখলৈ চাই ক'বলৈ ধৰিলে: "মা! তুমি পিতাক ভালদৰে চোৱা-চিতা কৰিবা। তোমালোক থাকা, ময়েই অসুৰৰ ভোজনৰ বলি হ'বলৈ যাওঁ।" এইদৰে ঘৰখনৰ প্ৰতিজনে বলি হৈ যাবলৈ ইচ্ছা কৰি গলা-গলি কৰি কান্দিবলৈ ধৰিলে। কান্দোনত চকুৰ পানীৰে পৃথিৱী নেদেখা হ'ল।

বামুণৰ ঘৰৰ আলোচনা ভীমে শুনি আছিল। আশ্ৰয়দাতা বামুণৰ শোক দেখি ভীমৰ মন কান্দি উঠিল। বামুণৰ পৰিয়ালক সুখী কৰিবলৈ ভীমৰ বলি হৈ যাবৰ মন গ'ল। ভীমে মাক কুন্তীক প্ৰণাম কৰি কলে: "মা! বুঢ়া বামুণৰ ঘৰৰ হৈ মই বলি হ'বলৈ যাওঁ। তুমি কোনো চিন্তা নকৰিবা। মই অসুৰক বধ কৰি আহিম।"

ভীমৰ বল-বুদ্ধিৰ কথা মাকে ভালদৰে জানে। ভীমৰ কাৰণে অসুৰ বধ কৰাটো একো কথাই নহয়। সেইবাবে মাক কুন্তীয়ে ভীমৰ কথাত কোনো আপত্তি নকৰিলে। কুন্তীয়ে শোকাতুৰ বামুণক ক'লে: "হে গুৰু! তুমি নাকান্দিবা। মোৰ পাঁচটা পুত্ৰৰ এটিকে অসুৰৰ



বলি কৰি পঠিয়াই দিওঁ।" কুন্তীৰ কথা শুনি বামুণে 'ৰাম-বিষ্ণু-হৰি-হৰি' কৰিলে। হাজাৰ হওঁক কুন্তী আৰু পাঁচ-পুতেক বামুণৰ ঘৰৰ আলহীহে। আলহীকনো কোনোবা গৃহস্থই নিজৰ হৈ মৰিবলৈ দিব পাৰেনে? কিন্তু দেৱীয়ে বামুণক বুজালে: "এনেয়ে খাবলৈ নাই। গতিকে এজন বলি হৈ অসুৰৰ পেটত সোমালে ভালহে হ'ব। খাওঁতাৰ সংখ্যা কমিব।" কুন্তীৰ কথাত বামুণে একো নামাতিলে। তেওঁৰ কান্দোন আঁতৰিল, শৰীৰ জুৰ পৰিল।

সময় মতে অসংখ্য মানুহে ৰজা বকাসুৰৰ ভোজনৰ যোগাৰ কৰিবলৈ ধৰিলে। খোৱা-বস্তু যোগাওঁতাৰ সীমা-সংখ্যা নাই। খোৱা খাদ্যৰ তালিকাখনৰ কথা শুনিলে আচৰিত হ'ব লাগে; লেখ-জোখ দি শেষ কৰিব নোৱাৰি।

চাৰিওফালে পৰ্বতে আগুৰা এটা প্ৰকাণ্ড গাত। তাৰ মাজত এটা বিৰাট ঘৰ। শাৰী শাৰী পুখুৰী আৰু মাজত সুন্দৰ ৰাজ আলি সজাই ৰখা হৈছে। এহাজাৰমান থালি পাতি থোৱা আছে। তিনি হাজাৰ ৰান্ধনীয়ে ভাত-আঞ্জা ৰান্ধিছে। ভাতবোৰ দ'ম কৰি থোৱা হৈছে, দেখিবলৈ যেন এখন বিৰাট পৰ্বতহে। দহ হাজাৰ ম'হ ৰান্ধি নমাই থোৱা হৈছে। হৰিণা, ছাগলি যে কিমান তাৰ হিচাব দি শেষ কৰিব নোৱাৰি— পুঠি আদি মাছ খৰিকাত দিয়াৰ দৰে সিবোৰ খৰিকাত দি থোকাথুকিকৈ থৈ দিয়া আছে। হাজাৰ হাজাৰ খৰিকা জহাৰ পিঠাৰ দ'ম, থালত পায়স আৰু মৌ। তিনিকুৰি মদৰ কলহ ভাগে ভাগে সজাই থোৱা হৈছে। তাৰ উপৰি, মুহুদিৰ বাবে দহ ভাৰ তামোল ঠিক কৰি ৰখা হৈছে এইদৰে অশেষ যতন কৰি জুটি লগাকৈ বকাসুৰৰ ভোজনৰ কাৰণে সকলো ৰান্ধি-বাঢ়ি ঠিক-ঠাক কৰি ৰখা হ'ল।

বকাসুৰৰ পেট পূজাৰ যোগাৰ ইমানতে শেষ নহয়। সিবোৰৰ লগতে ভোজনৰ বাবে ঘৰে ঘৰে পাল পাতি দিয়া মতে এজন মানুহো দিব লাগে। সিদিনাৰ বলিৰ পাল পৰিছে বামুণৰ ঘৰৰ। দণ্ড-ছত্ৰ আৰু চোঁৱৰেৰে সুশোভিত ৰাইজ! কুন্তীয়ে ৰাইজৰ আগত ভীমক উলিয়াই দিলে। তেনেই কম বয়সৰ সুকোমল দেশৰ ভীম। ভীমক চৌদোলাত তুলি ললে। সুন্দৰ সুন্দৰ কাপোৰ, আ-অলঙ্কাৰ পিন্ধাই ভীমক বকাসুৰৰ ভোজনালয়লৈ লৈ গ'ল। ভীম যেন যুৱৰাজহে। তাক সোণৰ খাটত

বহুৱাই থলে । যুৱৰাজ হলে কি হ'ব ! ভীম বকাসুৰৰ বলিহে । সেইবাবে তাক হাতে-গলে বান্ধি লোহাৰ শিকলি লগাই থলে ।

বকাসুৰ আহি পাবৰ সময় হ'লহি । সকলো লোক ভোজন-ঘৰৰ পৰা ঘৰাঘৰি গুচি গ'ল । বকাসুৰে দূৰৰ পৰা নাকজাৰি মাৰিলে । যুৱৰাজ হৈ আসনত বহি থকা ভীম নাকজাৰি শুনি বকাসুৰ আহিছে বুলি গম পালে । ততালিকে ভীমে হাতে-গলে বান্ধি থোৱা শিকলি চিঙি পেলালে । অসুৰলৈ ৰান্ধি-বাঢ়ি থোৱা ভাত-আঞ্জা বলিৰ চৰুত পৰিল । বলি ভীম জানো খোৱাত কম ! সাত সাঙী ভাত, সাত কুণ্ডা আঞ্জা ভীমক খাবলৈ লাগে । গতিকে ইমানবোৰ খোৱা-বস্তু আগত দেখি ভীমৰ আনন্দৰ সীমা নোহোৱা হ'ল । অসুৰৰ কাৰণে সজাই থোৱা ভাত, মাংস, পায়স, মৌ-ৰস খাই ভীমে তহিলং কৰি পেলালে । খাই বৈ উঠি ভীমে জিভা টকালিলে আৰু খল্‌খল্‌কৈ হাঁহিবলৈ ধৰিলে । যিমান পাৰে তিমান খাই এৰেহাখিনি বকাসুৰলৈ থৈ দিলে ।

বকাসুৰৰ কুৎচিত, কদাকাৰ শৰীৰটো দেখি ভীমৰ হাঁহি উঠিল । দাঁতবোৰ তিনি-চাৰিহাত মান দীঘল, ঘৰৰ ভিতৰত সোমালে দাঁত চালত লাগে । মুখখন উঠঙা, দেখিবলৈ হাড়ীৰ মল-মূত্ৰ চাফ কৰা কোডালৰ দৰে । চুলি জুটুলা-জুটুল আৰু কপালখন উঠঙা । বকাসুৰৰ কুৰূপ বৰ্ণাই ভীমে ক'লে : "বকাসুৰ তোৰ আৰু বেচি সময় নাই । কাল ওচৰ চাপিছেহি । গৰ্ব চূৰ্ণ হৈ যাব ।"

বকাসুৰ অবাক । আজি কি কাণ্ড ঘটিছে । এনে কাণ্ডতো কেতিয়াও ঘটা নাই । বলিৰ ইমান সাহসনে ? বকাসুৰৰ দৰে ৰজাকো অপমান কৰিব পাৰিছে । বকাসুৰে ভাবিলে— আনদিনা বলিৰ গৰ্ভ গলি যায় । আজি কথা কিবাহে, বলিয়ে দেখোন খল্‌খলকৈ হাঁহি আছে ।

বকাসুৰে নম্ৰতাৰ সুৰত ভীমক সুধিলে : "হেৰ, তই ক'ৰ অবাইতং ? বলি হৈ মোৰ ভোজনৰ ভাত, মাংস, পিঠা-পনা কিয় খাইছ ?" ভীমে বকাসুৰলৈ কেৰেপ নকৰি টপৰাই মাত দিলে : "হেৰ বকাসুৰ ভাই ! মই ভাত খাওঁ । তই চাই থাক । তই মোৰ সেৱক বুলি নাজাননে ? গৃহস্থই খোৱাৰ পিছতহে কুকুৰক খাবলৈ দিয়ে । এই কথাও কি শিকাব লাগে ?"



বলিগোটৰ মুখত ইমান ডাঙৰ কথা ! বকাসুৰৰ খঙে মূৰৰ চুলি পালেগৈ । ভীমৰ পিনে চোঁচালৈ উধাই-মুধাই আঠোটা কোব শোধালে । তথাপি ভীমে কেৰেপকে কৰা নাই । ইঠাই-সিঠাই ঘূৰি ঘূৰি ভাত খোৱাত ব্যস্ত হৈ থাকিল ।

কি আচৰিত কথা ! বঢ়া ভাতৰ কাঁহী ভীমে খায় । সিফালে বকাসুৰৰ পেটৰ কল্‌মলনি । ইমানকৈ কোবোৱা স্বত্বেও গা নলৰাত বকাসুৰ অধৈৰ্য্য হৈ পৰিল । এইবাৰ ভীমক হাতেৰে ঠেলি আঁতৰাবলৈ চেষ্টা কৰিলে । ভীম হিমালয় পৰ্ব্বতৰ দৰে অচল-অটল । কোনোমতে ভীমৰ গা অসুৰে লৰাব নোৱাৰিলে । ভীমৰ পেটৰ ওপৰত বকাসুৰৰ ভীষণ খং । পেটৰ ওপৰত খং নুঠিবনে ? এই বিৰাট পেটটোৰ ভিতৰতে বকাসুৰৰ কাৰণে সজাই-পৰাই থোৱা ভাত, মাংস, পিঠা, পায়স আদি সোমাই আছে । সেই কাৰণে বকাসুৰে মুঠি টান কৰি ভীমৰ পেটত ভুকু দিলে ।

ইমান সময় ভীম খোৱাতেই ব্যস্ত আছিল । এইবাৰ লাহেকৈ গা-মুখ লৰালে । ভীমৰো বকাসুৰৰ ওপৰত কম খং উঠা নাই । খঙত অগ্নিশৰ্মা যেন হৈ বকাসুৰক নানা ধমকি দি বাওঁ হাতেৰে (লঘুহাত) চৰ এটা শোধালে । সেই চৰত বকাসুৰৰ তিনি-চাৰি হাত দীঘল দাঁত দহোটা উভালি পৰিল । এখন হাতেৰে ভীমে বকাসুৰৰ দুয়োখন হাত জপাই লৈ গলত চেপা দিলে । চেপা খাই বকাসুৰৰ উশাহ বন্ধ হৈ গ'ল । লগে লগে বকাসুৰক ওপৰলৈ তুলি পাক ঘূৰাই দলিয়াই দিলে । অসুৰে থিতাতে শহুৰেকৰ ঘৰ দেখিলে । ওপৰতে প্ৰাণবায়ু উৰি গৈ মাটিত পৰিল । অসুৰৰ মৰা শটোকে মাটিত ভালদৰে আঁচাৰিলে । আঁচাৰত দশোদিশ আৰু সাত সাগৰ কঁপি উঠিল । বকাসুৰ যমপুৰীলৈ যোৱাত পৃথিবী (আই বসুমতী) জোকাৰ খাই উঠিল আৰু পাতালত নাগ-ৰজা অনন্তৰ ফণাও লৰিল । সকলো দিশতে তোলপাৰ লাগি পৰিল । প্ৰজাবোৰৰ হিয়া কঁপি উঠিল । সিহঁতে কোৱা-কুই কৰিবলৈ ধৰিলে: 'আজি মহাপ্ৰলয় মিলিল । অসুৰ ৰজাৰ কিবা অপৰাধ লাগিল । ন'হলেনো এনে অঘটন ঘটিব পাৰেনে? এইডাল বুঢ়া বামুণে নজনা-নুশুনা ক'ৰ বলিটো আনি দিলে ? তাৰ কাৰণে আজি আমাৰ সৰ্বনাশ হ'ল ।" খঙত বামুণৰ ঘৰলৈ গৈ বামুণ-বামুণী আৰু কুন্তীৰ

লগত তেওঁৰ চাৰি পুত্ৰক ৰাইজে বন্দী কৰি থলে।

পূৰত বেলি ওলাল। বকাসুৰৰ জন্তাসুৰ নামৰ এজন ভায়েক আছিল। ককায়েকক বধ কৰা খবৰ পাই দৌৰি আহি সি ভীমক আক্ৰমণ কৰিলে। তাৰ হাতত শূল। ভীমক গালি-শপনি পাৰি আগ-পিছ নাচাই শূলেৰে হানিবলৈ ধৰিলে। ভীমৰ ওচৰতে আছিল এডাল প্ৰকাণ্ড শাল গছ। সেই শাল গছ ডালকে একে টানে উভাৰি লৈ অসুৰৰ মাথাত মাৰি দিলে। অসুৰে খণ্ডত ভীমলৈ অসংখ্য শৰ মাৰিলে। শৰ ভীমৰ গাত পৰে হয়, কিন্তু ছালত হলে নিবিন্ধিলে। চল চাই ভীমে একে জাপে অসুৰৰ চুলিত ধৰি পেলাই ললে। শৰীৰত লাঠি, কিল, ভুকু, ইচ্ছামতে শোধালে। অসুৰৰ হাড়হাড় ভাঙিল আৰু কুঁজ বাহিৰ হ'ল। তাৰ পিছত জন্তাসুৰ দাঁত নিকটাই পৰি মৰি থাকিল।

বকাসুৰ আৰু জন্তাসুৰ দুই ককাই-ভাইক বধ কৰি ভীমে সিংহৰ দৰে চিঞৰি তাত বহিল। ৰাজ্যৰ লোক লানি নিছিগা ধাৰে সেই ঠাইলৈ গ'ল। তেওঁলোকে গৈ দেখে দুই অসুৰ মৰি পৰি আছে। ৰাজ্যৰ সকলোৰে বিস্ময় মানিলে আৰু ভীমৰ চৰণত শৰণ ললে।

ভীম ব্ৰাহ্মণৰ ঘৰলৈ গ'ল। ব্ৰাহ্মণক ঘৰৰ পৰা লৈ আহি বজ্ৰা পাতি আসনত বহুৱালে। প্ৰজাবিলাকক শান্তিৰ মুখ দেখুৱাই পাঁচ পাণ্ডৱ বামুণৰ ঘৰৰ পৰা বিদায় মাগিলে।

**কাম্যবনত পাণ্ডৱ: পানী বিচাৰি গৈ ভীমৰ কুম্ভীৰ বধ:**

এইবাৰ পাঁচ-পাণ্ডৱ কাম্য বনত প্ৰবেশ কৰিলে। ই এখনি অটব্য-অৰণ্য। হাবি-বননিত ঘূৰি ফুৰি সকলোটি ভাগৰি পৰিল। জেঠৰ বাৰ খৰ। পিয়াহত যুধিষ্ঠিৰৰ অণ্ঠ-কণ্ঠ শুকাই গ'ল। দেহ একেবাৰে অলৰ-অচৰ হৈ পৰিল; প্ৰাণ যাওঁ যাওঁ অৱস্থা। যুধিষ্ঠিৰে ভীমক পানী ক'ত আছে চাবলৈ ক'লে। ভীমে বিচাৰি চলাথ কৰিলে; কিন্তু ক'তো পানী নাপালে। ক'ৰবাত পানী দেখেনে চাবলৈ বুলি ভীমে গছত উঠিবলৈ খুজিলে। কিন্তু কি যে আচৰিত কথা! যি ডাল গছতে উঠে, সেই ডাল গছেই ভাগি পৰে। ভীম নিৰুপায় হৈ এখন পৰ্বতত উঠিল। পৰ্বতৰ



ওপৰৰ পৰা চাৰিওফালে চকু ঘূৰাই চালে। এটা বৃহৎ সৰোবৰ ভীমৰ চকুত পৰিল। সৰোবৰটো দীঘলে-পথালিয়ে চাৰি কুৰি মাইলৰো বেছি। তাত নানা জলচৰ পশু-পক্ষী চৰি ফুৰে। পৰ্ব্বতৰ পৰা নামি ভীম গৈ সৰোবৰ পাৰ পালে। মানুহ অহা গম পাই জন্তুটো পানীত নামিল। ভীমৰ চিন্তা হ'ল কিজানিবা পানী পিবলৈ ধৰোঁতে জন্তুটোৱে ঠেঙত ধৰি টানি লৈ যায়। ইফালে পিয়াহত আতুৰ। পানী খাবলৈ নাপাই যুধিষ্ঠিৰৰো অণ্ঠ-কণ্ঠ শুকাই আছে। গতিকে পানীত নামিবই লাগিব। যি হয় হ'ব বুলি ভাবি ভীমে পানীত নামি একচলু (আঁজলি) পানী লৈ মুখত দিবলৈ খুজিলেহে! সৰোবৰৰ জন্তুটোৱে ভীমৰ হাতলৈ নেজ মাৰি দিলে। নেজৰ কোবত ভীমৰ হাতৰ পানী দশোদিশে সিঁচৰিত হৈ পৰিল। পানীৰ ছাতিত ভীমে চকু মুখ মুদি দিলে। সেই সুযোগতে জন্তুটোৱে বিজুলীবেগে আহি ভীমক কামোৰ মাৰি ধৰি ভীমক কেইবা মাইলো তললৈ টানি নিলে। সেই জন্তুটো আছিল এটা কুম্ভীৰ। ভীমৰ উশাহ নিশাহ বন্ধ হৈ গ'ল। সেই কাৰণে শৰীৰ সঞ্চালন কৰিবলৈ ধৰিলে। দুয়ো আহি পাৰত উঠিল। এইবাৰো টনা-আজোৰা জোৰে চলিল। পুনৰ দুয়ো গৈ পানীত পৰিল! পানীত ভয়ানক যুঁজ লাগিল। ওপৰত এটা গমিৰাজ পক্ষীয়ে এই যুঁজ দেখি দুটা কুম্ভীৰৰ যুঁজ বুলি ভাবিলে। এই যুঁজত ভীমে গমিৰাজ পক্ষীৰ মূৰ চিঙি পেলালে। শঙ্খচুৰ নামৰ হাতী এটাকো পাক ঘূৰাই শুড় আৰু মূৰ একেলগে চিঙি ভীমে বধ কৰিলে।

সুচল বুজি ভীমে থাপ মাৰি কুম্ভীৰৰ মূৰত ধৰিলে। ঘাৰ মুচৰি মুচৰি কুম্ভীৰৰ ডিঙি চিঙি পেলালে। কুম্ভীৰৰ লগতে আৰু অনেক সৈন্যও ভীমে বধ কৰিলে।

ভীম-কুবেৰৰ ৰণ:

প্ৰাণৰ ভয়ত অনেক সৈন্য পলাই পত্ৰং দিলে। সৈন্যবোৰ পলাই গৈ কুবেৰৰ আশ্ৰয় ললে। কুবেৰ যক্ষ আৰু কিন্নৰৰ ৰজা, থাকে কৈলাস পৰ্ব্বতত। দেখিবলৈ অতি কুৎচ। দাঁত আঠোটা আৰু ভৰি তিনিখন। সেনাবোৰৰ বিলৈ-বিপত্তিৰ কথা শুনি

30539/04

কুবেৰে গদা হাতত লৈ ভীমক খেদি গ'ল। লগত গ'ল সখিয়েক শিৱৰ পুত্ৰ কাৰ্ত্তিক আৰু গণপতি। সিহঁত দুটাৰ হাতত ধনু-কাঁড়। কুবেৰে ভীমক ধমকি দি ক'লে: "অ'ই অকণমান শিশুটি! তোৰ ইমান সাহসনে? পুষ্প-বন ভাঙি তই কিয় ইমান সেনাক বধ কৰিলি? এতিয়া মজা পাবি বাপেকে!" প্ৰথমে ভীমে ভদ্ৰভাৱে উত্তৰ দিলে: "হেৰ' আতাই! সঁচা কথা কবলৈ গ'লে মোৰ কোনো দোষ নাই। পানী খাবলৈ ধৰোঁতে কুম্ভীৰে ঠেঙত ধৰি টানিলে। এটা পখীও আহি ইয়াত পৰিল। হাতীটোৱেও আহি দাঁতেৰে আক্ৰমণ কৰিলে। নিজক ৰক্ষা কৰিবলৈ যোৱাত সিবোৰৰ লগত যুজোঁতে কিছুমান ফুল উভালি পৰিল। ইয়াত বাৰু মোৰ দোষ কি?" ভীমৰ কথাত কুবেৰৰ হাঁহি উঠিল। কুবেৰে ক'লে, : "এই বেটাই এতিয়া চাপচুপ কৰি পলাবলৈ বুদ্ধি পাঙিছে।"

ভীমে জানো কাৰোবাক পৰোৱায় কৰে। কুবেৰনো কোন কুটা? ভীমে দপদপাই উঠিল: "হেৰ ৰাৱণৰ ভাই! তোৰ লগত যুজিবলৈ মোৰ তিলমানো ভয় নাই। কাৰ্ত্তিক-গণপতিও তোৰ লগত আছে। তোৰ পক্ষ লৈ সিহঁতেও যুঁজে যদিও যুঁজক। মই কালৈকো ভয় নকৰোঁ। তথাপি ধৰ্মক ধিয়াই মই আচল কথা জনাইছোঁ। পিছত কিন্তু দোষ নাই।"

যুঁজ আৰম্ভ হ'ল। প্ৰথমে কাৰ্ত্তিকে ভীমলৈ দহপাত শৰ মাৰিলে। শৰৰ আঘাত পাই ভীমে লাজ পালে। ভীমে পহিলাই গণেশক ধৰিলে। এখন হাতেৰে গণেশৰ দুয়োখন হাত জপাই ধৰি কোণ্ড নাও চোঁচৰাই নিয়াৰ দৰে টানি লৈ গ'ল। গনেশক এৰি থৈ একে জাপতে কাৰ্ত্তিকৰ বাহন ময়ূৰৰ ঠেঙত ধৰিলেগৈ। ফুলৰ ডাল ভাঙি লৈ কাৰ্ত্তিকক ডবা পিটাদি পিটিলে। প্ৰাণৰ ভয়ত কাৰ্ত্তিক পলাল। এইবাৰ ভীমৰ চিকাৰ কুবেৰ। কুবেৰৰ পিনে চোঁচা লৈ এক লাফ মাৰি কুবেৰৰ পৰা শূল কাঢ়ি ললে। কুবেৰৰ বুকুত উত্তম-মধ্যম লগাই শূলেৰে হানিবলৈ খেদি গ'ল। কুবেৰে পিছলৈ নাচাই ভিৰাই লৰ ধৰিলে। ভীমে গালি পাৰি পিছে পিছে খেদি গ'ল।

সকলোকে হেলাৰঙে পৰাজয় কৰি সৰোবৰৰ পৰা পানী লৈ ভীম যুধিষ্ঠিৰৰ ওচৰলৈ ঘূৰি আহিল। পানী আনিবলৈ গৈ কি



ঘটনা ঘটিল তাক ভায়েকহঁতৰ আগত ভীমে বৰ্ণনা কৰিলে। কাহিনী শুনি আটায়ে আনন্দ মনেৰে হাঁহিলে।

পাঁচ-পাণ্ডৱে সৰোবৰত গা-পা ধুলে। সৰোবৰৰ পানী খাই অমৃত খোৱা যেন পালে। গছ-গছনি, ফল-ফুলেৰে সৰোবৰৰ পাৰ শোভিত। ঠাইখন অতি মনোৰম। সেইবাবে বাহ সাজি পাঁচ-পাণ্ডৱ তাতে থাকিবলৈ ধৰিলে। ভীমে আলু, কচু, ঢেকিয়া আদি বিচাৰি আনে আৰু সকলোটিয়ে খায়। কেতিয়াবা পেটত আহাৰ পৰে আৰু কেতিয়াবা লঘোনে দিন যায়। হায়! ৰজাৰ পুতেক হৈ আজি পাঁচ পাণ্ডৱে কি দুখত দিন কটাব লগীয়া হৈছে। লঘোনে-ভোকে আটাইৰে শৰীৰ শুকাই-খীনাই যাবলৈ ধৰিলে। সাত নাওঁ ভাত খোৱা ভীমেনো আলু, কচু খাই কেনেকৈ থাকিব পাৰে? পেটৰ ভোকত ভীমে তাৰ পৰা যাবলৈ মন কৰিলে। এদিন ভীমে যুধিষ্ঠিৰৰ আগত ক'লে: "দাদা! মোক বিদায় দিয়া। ভাত খাবলৈ নাপাই দেহা শুকাই গ'ল। মই কৈলাসলৈ যাওঁ। তাত মহাদেৱৰ গৰু চাৰি প্ৰাণ ৰক্ষা কৰোঁগৈ। লগতে মহাদেৱৰ পৰা শৰ কিছুমানো শিকি আহোঁগৈ।" কৈলাসলৈ যাবলৈ ভীমক সকলোৱে অনুমতি দিলে।

**কৈলাসত ভীম : মহাদেৱৰ ঘৰত গৰখীয়া :**

মাক কুন্তীক প্ৰণাম জনাই ভীমে কৈলাস অভিমুখে ৰাওনা হ'ল। কৈলাস মহাদেৱৰ বাসভূমি। ভীম গৈ কৈলাস পালে। তাত দেখিলে আপোন-ভোলা মহাদেৱ ডম্বৰু বজাই আছে। মাটিত দীঘল হৈ পৰি ভীমে তেওঁৰ চৰণত নমস্কাৰ জনালে। ভীমে মহাদেৱৰ আগত নিজক দাসীৰ পুতেক বুলি পৰিচয় দিলে। লগতে মহাদেৱৰ ঘৰত গৰখীয়া হৈ থাকিবলৈ অহা বুলি ক'লে।

ভীমৰ সুন্দৰ চেহেৰা আৰু ৰূপ দেখি মহাদেৱৰ মৰম লাগিল। কাৰ্ত্তিক আৰু গণেশ মহাদেৱৰ পুতেক। ভীমক সিহঁত দুটাৰ লগত খেলা-ধূলা কৰি তেওঁৰ ঘৰত থাকিবলৈ ক'লে। কাৰ্ত্তিক আৰু গণেশ ওচৰ চাপি আহিল। সিহঁতে ভীমক দূৰৰ পৰাই চিনি পালে। ভীমক দেখি দুয়োৰে ভীষণ খং উঠিল। কোবাই ভীমৰ ছাল ছিঙি দিবলৈ মন কৰিলে। দেউতাক মহাদেৱৰ আগত ভীমে যে সিহঁতক বনৰ মাজত কোবাইছিল সেই কথাৰ গোচৰ দিলে।

পুতেকহঁতৰ কথা শুনি মহাদেৱে মিচিকাই হাঁহি ক'লে: "বাচাধনহঁত! সি জানো তহঁতক মোৰ পুত্ৰ বুলি চিনি পায়? নিচিনি-নাজানি বনৰ মাজত তহঁতৰ লগত কাজিয়া কৰিলে। সি একো ডাঙৰ কথা হোৱা নাই। আজিৰ পৰা ই আমাৰ ঘৰত থাকিব! কোনো ভয় নাই। কেতিয়াবা যদি তহঁতক আৰু মাৰে তেতিয়া বাৰু গালি পাৰিবি।" মহাদেৱৰ গৃহিনী পাৰ্বতী দেৱী। পাৰ্বতীয়েও সেই আলোচনাৰ ভাগ ললে। পাৰ্বতীয়ে ভীমক কামৰ দিহা দিলেগৈ: 'তুই আমাৰ ঘৰত গৰখীয়া হৈ থাক। যিমান লাগে সিমান ভাত খাবলৈ দিম। ঘৰত এটা মাত্ৰ বলদ। কাৰ্ত্তিক আৰু গণেশৰ লগত চৰাবি। সাৱধান, গৰু যেন নেহেৰায়।"

ঘৰৰ গিৰিহঁতনীৰ কথা শুনি ভীম মনে মনে নাথাকিল। পাৰ্বতীয়ে মিঠা মাতেৰে ভীমক যিমান খায় তিমান ভাত দিব বুলি কৈছে ঠিকেই, পিছলৈ কিজানি গৰখীয়াই বহুত ভাত খায় বুলি বদনাম দিয়ে। সেই কাৰণে ভীমে আগতীয়াকৈ সকলো খাটাং কৰি ল'বলৈ বিচাৰিলে।

"এতিক্ষণে ৰাখা যদি মোক তুমি আই।
পাচে জানো বোলা ইটো বহু ভাত খায়॥

গৰখীয়াৰ কথা শুনি পাৰ্বতীৰ হাঁহি উঠিল। হাঁহি উঠাৰ কথাই! পাৰ্বতীৰ ঘৰত চৌষষ্ঠী যোগিনী আৰু কিমান ভূতে যে ভাত খায় তাৰ হিচাপ নাই। সামান্য গৰখীয়া এটাৰ কাৰণে ভাতে নুজুৰিবনে?

পাৰ্বতীৰ ঘৰত থাকিবলৈ অহা গৰখীয়া যে ভীম পাৰ্বতীয়েতো সেই কথা নাজানে। ভীমক তেওঁ সাধাৰণ গৰখীয়া বুলি ভাবিলে। সেয়েহে পাৰ্বতীয়ে টিপচি যেন গৰখীয়া এটাই কিমাননো ভাত খাব বুলি হাঁহি হাঁহি সকলো কথা উৰাই দিলে। খাবলৈ কিমান ভাত-আঞ্জাৰ দৰকাৰ তাৰ এটা হিচাপ ভীমে দাঙি ধৰিলে। ভাত সাত সাঙী, আঞ্জা সাত কুন্ধি ভীমক দিনে খাবলৈ লাগে! ভীমে ভালদৰে চাই দেখিলে মহাদেৱৰ বেৰ-ঘৰ ভঙা, ভিথাৰ জুলিখন ফটা, ঘৰখনত ধান এটিও নাই। এইখন ঘৰত পেট পুৰাই ভাত খাবলৈ পাব বুলি ভীমৰ মনে নক'লে। ভীমে খোলাখুলিকৈ ক'বলৈ ধৰিলে: "হে আই! সদাশিৱক বৰদাতা বুলি তিনি জগতে কয়! পিছে ঘৰত দেখোন একোৱেই নাই। কাপোৰ নাই, ধান নাই, ৰত্ন-মণি-মুক্তা একো নাই। শিৱৰ গলত মানুহৰ মূৰৰ খোলা জৰীৰে গাঁথি লোৱা মালা। মূৰত তেল নাই, চুলি জঁট বান্ধি আছে। দুৰ্গন্ধত দূৰতে প্ৰাণ ফুটি যায় যেন লাগে। হাত আৰু ডিঙিত সাপ মেৰাই ৰাখিছে। সেইজনক মানুহে জগতৰ গুৰু বুলি কয়। জগতৰ গুৰু শঙ্কৰ গোসাঁইজনাই আকৌ ভিক্ষা কৰি পোহ-পাল যায়। এনে কথা শুনি কোনে নাহাঁহিব বাৰু?"



পাৰ্বতীয়ে দেখিলে গৰখীয়া শিশুটি বৰ টেটোন; কালিৰ ছলি হৈ পৰহিৰ কথা কৈছে। পাৰ্বতীয়ে গৰখীয়াক ক'লে: "জগতৰ ধান ধন সকলো আমাৰ। আমাতকৈ কোনো ডাঙৰ দেৱতা নাই। তই গৰু চাৰি, খৰি লুৰি আনি দিবি। যিমান ভাত খাৱ তিমান মই দিম বুলিছোঁ দিমেই।" ভীমে পাৰ্বতীক শেষ কথা জনাই দিলে: "তেনেহলে শুনা আই! তোমাৰ কথা মতে মই সকলো কাম কৰিম। কিন্তু পিছলৈ বেছি ভাত খোৱা বুলি মোক ঘৰৰ পৰা খেদি পঠিয়াব নোৱাৰিবা।"

সকলো কথাৰ আগ গুৰি মাৰি ভীম মহাদেৱৰ ঘৰত গৰখীয়া হৈ থাকিল। মহাদেৱৰ ঘৰৰ গৰু এটা। ভীম বৃষভ চৰাবলৈ যাবলৈ ওলাল। লগত কাৰ্ত্তিক আৰু গণেশো গ'ল। হাবিত ঘাঁহ খাবলৈ দি ভীমে ক'লে: "বৃষভ! তই ইয়াত থাক। আমি সৌ পৰ্বতলৈকে যাওঁ। তাৰ পৰা ফল-মূল খাই ঘূৰি আহিম। কিন্তু খবৰদাৰ! ইয়াৰ পৰা দূৰলৈকে নাযাবি। যদি যাৱ, গম পাবি। কোবাই ঠেং-ঠুং ভাঙি একেবাৰে মাৰি পেলাম।"

**বিশ্বামিত্ৰৰ তপোবনত গৰখীয়া ভীমৰ বৃত্তান্ত:**

কাৰ্ত্তিক আৰু গণেশক লগত লৈ ভীম পৰ্বতৰ ওপৰত উঠিল। পৰ্বতত ডাঙৰ ডাঙৰ ফলৰ গছ আছে। গছবোৰ ভীমে দোঁৱাই দিলে। কাৰ্ত্তিক-গণেশ দুয়োৱে সুন্দৰ সুন্দৰ পকা ফল আনন্দ মনেৰে খালে।

গৰুৱে জানো মানুহৰ হাক-বচন বুজি পায়? এৰাল নিদিয়া গৰু! যেনি-তেনিয়ে ঘূৰি ফুৰিছে। বনত নতুন ঘাঁহ খাই খাই বৃষভ বহু দূৰ পালেগৈ। ওচৰতে আছিল বিশ্বামিত্ৰ মুনিৰ

আশ্ৰম। বাৰী-লুৰুকা গৰু। হেঙাৰ ভাঙি ঋষিৰ আশ্ৰমত সোমাল। ঋষিয়ে আশ্ৰমত সোৱাদ লগা মধুবন ৰুইছিল। মধুবন খাই গছকি বৃষভে একেবাৰে নিৰ্মূল কৰি পেলালে। বিশ্বামিত্ৰ বৰ খঙাল ঋষি। তেওঁ 'অগ্নিশৰ্মা' নামে জনাজাত। জ্বলি থকা জুইত যেন ঘিউহে পৰিল। তেওঁ খঙত খেদি আহি ভীম, কাৰ্ত্তিক আৰু গণেশক লগ পালে। দাঁত কৰচি গালি পাৰি সিহঁতক সুধিলে: "হেৰ' তহঁত ক'ৰ দুৰ্জন? গৰু মেলি দি মোৰ মধুবন কিয় খুৱালি?'

ভীমে খুব মিঠা মাতৰে ঋষিক ক'লে: 'হে আতাই! খং নকৰিবা। আমি পৰ্বতত আছিলোঁ। বাৰী-লুৰুকা গৰু। পলাই ইয়ালৈ আহিল। তোমাৰ চৰণত ধৰিছোঁ মোক অভিশাপ নিদিবা। তুমি চোৱা বাৰু এই দুষ্ট গৰুক তোমাৰ আগতে ভাল সেকা দিওঁ।" যেনে কথা তেনে কাম। বৃষভৰ নেজত ধৰি ভীমে সাত পাক আঁচাৰি পেলালে দূৰত পৰি বৃষভে কঁপি কঁপি দহ পাচিমান হাগিলে। বৃষভৰ দুৰৱস্থা দেখি কাৰ্ত্তিক গণেশে ভীমক কিয় গৰু মাৰিলে সুধিলে। ভীমে গৰু মৰা অপৰাধ জানো মূৰ পাতি লব? শালগছ উভাৰি খেদি গৈ ভীমে কাৰ্ত্তিক-গণেশক ক'লে: তহঁত দুই ভাই-ককায়ে লগলাগি গৰু মাৰি এতিয়া মোৰ ওপৰত দোষ জাপিছ? তহঁতনো ইমান মিছলীয়ানে? গম পোৱা নাই, কোবাই শেষ কৰি দিম দেই।"

বিশ্বামিত্ৰ ঋষিয়ে এই কাৰ্য্যবোৰ দেখি আছিল। ভীমে সাক্ষী পাতিলে মুনিক। ভীমে ক'লে: "আতাই! তুমিতো সকলো দেখিছাই। মাক-বাপেকে দুয়োকো গৰু চাৰিবলৈ পঠাইছে। দুয়োৰে গৰু মাৰি এতিয়া মোৰ ওপৰত অপৰাধ জাপিছে।" কথা শুনি বিশ্বামিত্ৰ অবাক! এইয়া দেখোন ওভোতা চোৰে গিৰিক বন্ধা কথা। তেওঁৰ আগতেতো ভীমে গৰু মাৰি পেলাইছে। এতিয়া আকৌ গৰু নমৰা বুলি ক'বলৈ মুনিকে সাক্ষী পাতিলে। ইমান মিছা কথা কোৱা দেখি মুনিৰ বৰ খং উঠিল। মুনিয়ে ক'লে: "হেৰ, টেটোন লটক্‌পটক! তই নিজে গৰু মাৰি এতিয়া আনৰ ওপৰত কিয় দোষ জাপিছ? শঙ্কৰৰ পুতেকহঁত নিৰপৰাধী। সিহঁতে গৰু মৰা নাই।"

ভীম শুদাই এৰা ভকত নহয়! মুনিনো ভীমৰ আগত কিমান



পানীৰ মাছ। কাৰ্ত্তিক-গণেশক এৰি এইবাৰ বিশ্বামিত্ৰৰ ওপৰত গৰু মৰাৰ দোষ জাপি দিলে: "হেৰ ঋষি! তোৰ চকু দুটা কাউৰীয়ে খালেনেকি? মই গৰু মৰা বুলিহে সাথী ক'বলৈ আহিছ? এয়া গৰু দেখোন তোৰ শস্যৰ মাজতে মৰি আছে। শস্য খোৱা বুলি তয়ে কোবাই গৰু মাৰিলি। গৰু কোবোৱা লাঠি দেখোন তোৰ হাতত আছে। এনে কুকৰ্ম কৰি ডাঢ়ি মোহাৰি বৰ ঋষি বোলাইছ?"

এইবাৰ ঋষি বিমোৰত পৰিল। তেওঁ মনতে গমি-পিতি চালে: "এইটোতো কম দুৰ্জন নহয়। শঙ্কৰৰ পুতেককে ইমানখিনি কৰিলে। মইনো ইয়াৰ আগত কোন কুটা? তিনিওজনে একেমুখে ক'লেও ইয়াৰ কথাৰ পাকৰ পৰা সাৰিব পৰা নাযাব। দায় আমাৰ ওপৰতে পৰিব।" আৰু এক মিনিট সময়ো তাত থকা উচিত নহয় বুলি ভাবি মুনিয়ে ধুতি তুলি ধৰি দৌৰ ধৰিলে। বিশ্বামিত্ৰ যেন যমৰ হাতৰ পৰাহে ৰক্ষা পৰিল।

ঋষি যোৱাৰ পিছত ভীমে টাঙোন হাতত লৈ বৃষভৰ ওচৰ চাপিল। ভীমৰ হাতত টাঙোন দেখি শোৱাৰ পৰা উঠি বৃষভে দৌৰিবলৈ ধৰিলে। বৃষভৰ পিছে পিছে গৈ ভীমহঁত ঘৰ পালেগৈ।

## ভাতৰ পাতত ভীম: চৰু উদং: ৰান্ধনীৰ মহাচিন্তা

গৰু বান্ধি থৈ ভীমে ভাত খাবলৈ বহিল। লগত কাৰ্ত্তিক আৰু গণেশো। পূৰাকৈ একাঁহী শুদা ভাত ভীমৰ আগত দি পাৰ্বতী আঞ্জা আনিবলৈ গ'ল। আহি দেখে ভীমৰ থালত এটিও ভাত নাই। একে গৰাহতে সকলো ভাত শেষ কৰি খাইছে। ভীমৰ থালত ভাত দিছিল নে নাই দেৱীৰ মনত সন্দেহ জন্মিল। এইবাৰ সৰহকৈ ভাত আনি ভীমৰ থালত দিলে। পুনৰ থালৰ ভাত দুগৰাহতে শেষ। বৃকোদৰ ভীমৰ পেটটিত জানো কম ভাত ধৰে! পাৰ্বতীয়ে দিয়া ভাতেৰে ভীমৰ পেটৰ খজুটিকে নমৰিল। সিফালে ৰান্ধনীৰ মহাচিন্তা। চৰুৰ ভাত-আঞ্জা সকলো ঢুকাইছে। পেটৰ কল্‌মলনিত ভীমে 'আই, আৰু ভাত আনা'—বুলি চিঞৰিবলৈ ধৰিলে। কোনটো নাক লৈ পাৰ্বতীয়ে ভোকাতুৰ ভীমৰ ওচৰলৈ আহে বাৰু! লাজতে ৰান্ধনীয়ে ভাতে নাই বুলিও ক'ব নোৱাৰিলে। কোনো সমিধান নাপাই

ভীমে এইবাৰ ক'লে ঃ "আই ! তোমাৰ ঘৰৰ ভিক্ষাৰ জুলিখন ক'ত ? তাত যদি চাউল-খুদ আছে তাকে মোক দিয়া । মই আধাপেটি হৈ ৰলোঁ। তাকে চোবাই পেটৰ ক্ষুধা দূৰ কৰোঁ ।"

পাৰ্বতী এইবাৰো বিবুদ্ধিত পৰিল । লাহেকৈ মাত দি ক'লে : "হে বাপু গৰখীয়া ! আজি মোৰ ঘৰত এটিও চাউল-খুদ নাই ।" এইবাৰ ভীমৰ আৰু একোব চৰিল । মহাদেৱৰ ঘৰত গৰখীয়া হৈ আছে মাথোন পেটৰ ভাত মুঠিৰ বাবেহে । দৰমহা বুলিটো ফুটা-কড়ি এটাও নাপায় গতিকে পেট পূৰাই খাবলৈ নাপালে ভীমে গৃহস্থক শুদাইএৰিব ! অভিমান কৰি ভীমে পাৰ্বতীক ক'লে : "আই ! আজিৰ পৰা গৰু চৰাবলৈ আন কাৰোবাক পঠোৱা । তোমাৰ ঘৰৰ এইটো হাড়-ছাল ওলোৱা বূঢ়া গৰু অলৌ-তলৌকৈ ঘূৰি ফুৰে । লঘোনে-ভোকে কোনে চৰাব পাৰে ? মই আজিৰ পৰা গৰু চাৰিবলৈ নাযাওঁ । যলৈকে তলৈকে গুচি যাওঁ । তোমাৰ ঘৰত মই বৰ দুখ পাওঁ । তোমালোকৰ ঘৰত কেবল ভাঙৰ কোবহে চৰা । দিনে-ৰাতি সকলোটিয়ে ভাঙৰ গুড়ি খুন্দি মৰে । জমা ধান এটিও নাই, অথচ ঢুলিয়ে ঢুলিয়ে ভাং । ভাং যেন পঞ্চামৃতহে । উঠি ফুৰিবলৈ ঘোঁৰা নাই গৰুৰ ওপৰত উঠি ঘূৰি ফুৰে । ঘৰত খাবলৈ চাউল-খুদ এটি নাই, লোকৰ ঘৰে ঘৰে খুজি-মাগি আনি তাকে খায় । ভাঙুৰী শিৱইতো খাবলৈ নাপাই ডম্বৰু বজাই ঘূৰি ফুৰে ."

**মহাদেৱৰ কৃষিকাৰ্য্য :**

ভীমৰ কথাখিনি শুনিবলৈ গৃহস্থই ভাল নাপাব পাৰে । কিন্তু ভীমে একেবাৰে সঁচা কথাকে কৈছে । কথা শুনি পাৰ্বতীয়ে বৰ লাজ পালে । কথা দিয়া মতে পাৰ্বতীয়ে গৰখীয়াক খাবলৈ ভাত দিব নোৱাৰিলে । এতিয়ানো গৰখীয়াক কোন সতে মুখ দেখুৱাব ? তাতে গৰখীয়াৰ যিহে লাউপাত কচুপাত মুখ ! পাৰ্বতীয়ে গৰখীয়াৰ গালি-শপনি, অপমান কিমান দিন সহ্য কৰিব ! নানা কথা গুণা-গথা কৰি পাৰ্বতীয়ে মহাদেৱক ক'লে ঃ "হে প্ৰভু ! শুনা, ভিক্ষা কৰি পোৱা চাউলেৰে পেট নুপূৰে । গতিকে খেতি কৰিবলৈ মন দিয়া । গৰখীয়াই



পেট পূৰাই ভাত খাবলৈ নাপাই কটু কথা শুনাইছে ।" পাৰ্বতীৰ কথা শুনি
মহাদেৱে ক'লে ঃ "খেতি কৰাটো বৰ টান কাম ! তাতে হাতত ধন-বিত
একো নাই । খেতি কৰিবলৈ যোগাৰ পাতিনো কৰোঁ কেনেকৈ ?" পাৰ্বতীয়ে
মহাদেৱক খেতি কৰিবলৈ ক'ৰ পৰা কি আনিব লাগে তাৰ দিহা আগ বঢ়ালে।
সেইমতে মহাদেৱে ইন্দ্ৰৰ পৰা মাটি, কুবেৰৰ পৰা কঠিয়া, বলোৰামৰ পৰা
নাঙল খুজি-মাগি আনিলে । নাঙলৰ ফাল কৰিলে নিজৰ ত্ৰিশূলডালকে ।
মহাদেৱৰ ঘৰৰ এটা বলদ । যমৰ পৰা এটা ম'হ আনি বলদটোৰ লগত
হাল জুৰিলে । মহাদেৱে কৃষি কামত মন-পুতি লাগি ষোল হাজাৰ
বিঘা মাটি চাহ কৰি পেলালে । চাহ কৰা মাটি ডোখৰ ডোখৰ কৰি ললে ।
প্ৰতি ডবাত বেলেগ বোলেগ ধান ৰুলে । কম দিনৰ ভিতৰতে পথাৰত ধান
জি উঠিল । পথাৰ সেউজীয়া হৈ পৰিল । চালে চকুৰোৱা ধাননি । সময়
তে ধানৰ থোক মেলিলে । কোনো ডবা পকিবলৈ ধৰিলে । চাওঁতে চাওঁতে
ননি পথাৰ সোণালী হৈ পৰিল । মহাদেৱে সদায় পথাৰত ধান ৰখি থাকে ।

নদন-বদন হৈ পৰা ধাননিৰ কথা শুনি পাৰ্বতীৰ মনত অসীম আনন্দ ।
হাদেৱে পাৰ্বতীক ধাননি পথাৰলৈ যাবলৈ মানা দি থলে । পাৰ্বতীয়ে
নাযাওঁ' বুলি কৈ থলে । কিন্তু পাৰ্বতীৰ মন উচপিচাই থাকিল । পথাৰ
বলৈ মনত প্ৰৱল ইচ্ছা জাগিল । সেয়েহে এদিনাখন গিৰিয়েক শিৱই
ম নেপোৱাকৈ পাৰ্বতী গৈ পথাৰ পালে । পথাৰত সোণৰ দৰে জ্বলি
কা পকা ধাননিৰ দৃশ্যই পাৰ্বতীৰ চকু চাট মাৰি ধৰিলে । শিৱৰ
কাৰ্য্যত পাৰ্বতীয়ে তবধ মানি 'উস্-আস্' বুলি ক'লে। কিন্তু কি সৰ্বনশীয়া
কথা ! পলকতে এহাল ভূতনীৰ আৰ্বিভাৱ হ'ল । সিহঁতক খোবা-খুৰী
বোলা হয় । দুয়োৱে মুহূৰ্ত্তৰ ভিতৰতে পথাৰৰ ধান সোপাকে পুৰি ছাই
কৰি পেলালে । এনে ভয়ানক দৃশ্য দেখি পাৰ্বতীয়ে বিস্ময় মানিলে ।
মহাদেৱৰ বাধা নামানি পথাৰলৈ ধান চাবলৈ যোৱাৰ ফল পাৰ্বতীয়ে
হাতে হাতে পালে । বিষাদ মনেৰে পাৰ্বতী ঘৰলৈ ঘূৰি আহিল। তেওঁ
দুখ আৰু লাজত কাৰো আগত এই কথা নক'লে ।

কেইদিন মান পিছত পথাৰলৈ গৈ মহাদেৱে দেখে পথাৰৰ ধান
পুৰি ছাই হৈ আছে। ধান কিয় পুৰি শেষ হ'ল তাৰ কাৰণ বুজিবলৈ

ভোলানাথৰ বেচি সময় নালাগিল। পাৰ্বতীৰ ওপৰতে তেওঁৰ ভীষণ খং উঠিল। ঘৰলৈ গৈ পাৰ্বতীক গালি-শপনি পাৰিলে।

মহাদেৱৰ ভৰিত পৰি পাৰ্বতীয়ে দোষৰ বাবে ক্ষমা মাগিলে। আকৌ এবাৰ খেতি কৰিবলৈ গিৰিয়েকক অনুৰোধ কৰিলে। পাৰ্বতীৰ কথা মতে মহাদেৱে পুনৰ খেতিৰ কামত লাগিল। অচিৰতে ধান গজি পকি উঠিল। ধান পকা খবৰ মহাদেৱে পাৰ্বতীক জনালে। ধান পকিলে খেতিয়কে পথাৰৰ পৰা আগ আনে। পথাৰৰ লখিমী আদৰাৰ এইটো আমাৰ নিয়ম। আগ অনাৰ পিছতহে ধান কাটি ঘৰলৈ আনি ভঁড়ালত থোৱা হয়। সেইমতে মহাদেৱে গৰখীয়া পঠিয়াই ধানৰ আগ অনাবলৈ পাৰ্বতীক ক'লে।

**ভীমৰ হাতত্তৰে মহাদেৱৰ কৃষিৰ তিনিমুঠি ধান :**

মহাদেৱৰ ঘৰৰ গৰখীয়া ভীম। পাৰ্বতীয়ে গৰখীয়া ভীমক পথাৰৰ পৰা ধানৰ আগ আনিবলৈ আজ্ঞা দিলে। গিৰিহঁতনীৰ আজ্ঞা পাই ভীমে কাঁচিখন হাতত লৈ পথাৰ পালেগৈ। ইমূৰ-সিমূৰ নেদেখা আহল-বহল পথাৰত মহাদেৱৰ খেতি। গোটেই পথাৰখন পকা ধানেৰে সোণ বৰণীয়া হৈ আছে। ভীমে ধানত কাঁচি লগালে। অতি অদ্ভুত কথা! নিমিষতে ধান কাটি শেষ কৰিলে। সৰু হাতৰ মুঠিৰে মাথোন তিনিমুঠিহে ধান হ'ল। ঘৰলৈ ঘূৰি আহি ভীমে পাৰ্বতীক ভালদৰে কথা শুনাবলৈ ধৰিলে : "আই! এই কেইডাল ধান কাটিবলৈ মোক পঠাব লাগেনে? তোমাৰ ঘৰৰ মালিক শঙ্কৰ ভঙুৱা। ভঙুৱাইনো ক'ৰবাত খেতি কৰিব পাৰেনে? যি ভিক্ষাৰী সি সদায় ভিক্ষাৰীয়েই। ভিক্ষাৰী জানো ক'ৰবাত চহকী হ'ব পাৰে! বৰ খেতিয়কজন বুলি তুমি ভঙুৱাক সৰহকৈ ভাত আৰু বাছি বাছি আঞ্জা খুৱালা। খুৱালেনো ভঙুৱাৰ স্বভাৱ যাবনে? ভাং, ধতুৰাৰ গুটি আৰু জুমুঠি হাতত লৈ বাটে-পথে হোকা টানি ঘূৰি ফুৰে। ঘৰৰ পৰা ওলায় ভূঁই কৰো বুলি! পিছে ক'ত ভূঁই কৰিব। গছৰ তলত বহি জুতি লগাই ভাং খাই খাই থাকে। বতাহৰ বা লাগিলে বাঘৰ ছাল পাৰি তাতে শুই পৰে। ভাঙৰ নিচাত টোপনিত বিভোৰ হৈ পৰে। টোপনিৰ কোব কি চাবা! ঢোৰা-কাউৰীয়ে বেঢ়ি খুটিয়ালেও গমকে নাপায়, গাত তত্ একেবাৰে নোহোৱা হৈ থাকে। গধূলি সময়ত নিচা কাটি গ'লে টোপনিৰ পৰা সাৰ পায়। তেতিয়া পথাৰত তুই-চাৰি ঘাৰ মাৰি ঘৰলৈ গুচি আহে। এনেজন খেতিয়কৰ পথাৰত খেতি হ'ব পাৰে জানো?"



ভীমে মহাদেৱৰ কথা পাৰ্বতীৰ আগত পাৰে মানে লগালে। গিৰিয়েকৰ বিৰুদ্ধে ইমান কথা ক'লে কোন গিৰিহঁতনীয়েনো নপতিয়াব বাৰু? তাতে খেতিৰ যি পৰিমাণ তাকতো পাৰ্বতীয়ে হাতে হাতে পালেই। মহাদেৱে ভীমৰ কথা যে মিছা তাক বুজাবলৈ হাঁহি হাঁহি ক'লে : 'গৰখীয়াই মিছা কথা কৈ আমাৰ দন্দ্ব লগাবলৈ বিচাৰিছে।' তথাপি জানো পাৰ্বতীয়ে মহাদেৱৰ কথাত গুৰুত্ব দিলে। ভীমৰ কথাহে সঁচা বুলি মানি ললে। পাৰ্বতীয়ে খঙত এপালি দিলে : 'ভোলানাথ! তোমাৰ খেতিৰ প্ৰমাণ পালোঁ। খেতি কৰিলা মানে কৰিলা, ধান হ'লে ওলাল তিনিমুঠিহে। তোমাৰ শৰীৰত তত্ নাই, খেতি কেনেকৈ কৰিবা? মই বুজিছোঁ আমাৰ কপালত খেতিৰ চাউল নাই।"

ভোলানাথে হ'ল বুলিনো আৰু কিমান সহিব! এইবাৰ তেওঁৰ গোসাঁই হেৰাল। খঙত জ্বলি উঠিল। ততালিকে ধানৰ মুঠিত জুই লগাই দিলে। দপ্‌দপ্‌কৈ জুই জ্বলি উঠিল। ভীমে ততাতৈয়াকৈ গৈ জুই নুমাবলৈ ধৰিলে। কিন্তু নুমুৱাব নোৱাৰিলে। বৰং বেচি হৈহে যাবলৈ ধৰিলে। একেৰাহে সাতদিন ধৰি জুই জ্বলি থাকিল। এদিন সেই জুই মহাদেৱৰ চকুত পৰিল। তেওঁ হাতত থকা কমণ্ডলুৰ পানী ঢালি জুই নুমালে। তেতিয়াৰ পৰা কিছু ধান আহু কিছু ধান শালি হ'ল।

**কুবেৰৰ গড়-ঘৰ ভাঙি ভীমৰ থৰি অনা কাৰ্য্য :**

আন এদিনৰ কথা। ভীম গ'ল খৰি লুৰিবলৈ। লগত গৈছে কাৰ্ত্তিক-গণেশো। বহু দূৰ গৈ গৈ আটাইকেইটি কুবেৰৰ গড় পালে। কাঠেৰে কপ্‌কপীয়াকৈ বন্ধা প্ৰকাণ্ড গড় দেখি ভীমে কাৰ্ত্তিক-গণেশক ক'লে : "এই গড়টোলৈ চোৱা! শুকাই আছে, খৰিৰ কাৰণে বৰ ভাল হ'ব। ইয়াকে ভাঙি লৈ যাওঁ বলা। তেতিয়া হ'লে হাবিত সোমাই কষ্ট

কৰিব নালাগে ।” ভীমৰ কথা শুনি কাৰ্ত্তিক আৰু গণেশে হাঁহি হাঁহি ক'লে : “হেৰ ! এই গড় ভাঙি মৰিবলৈ খুজিছ ? এইটো কুবেৰৰ গড় । ইয়াৰ ভিতৰত বহুত ধন আছে। অনেক যক্ষই এই গড় ৰখি থাকে । গড় ভঙা গম পালে খণ্ডত খেদি আহি সিহঁতে আমাক মাৰি পেলাব ।” ভীমে তেনে কথাক কথা বুলিয়েই নাভাবিলে। কাৰোলৈকে ভীমে পৰোৱা নকৰে । ভীমৰ আগত কুবেৰ কোন ? শুকান কাঠ নিব তাতনো কি দায় লাগিব পাৰে ! যেনে কথা তেনে কাম। ভীমে গড় ভাঙি কাঠ আনি আনি বোজা বান্ধিবলৈ ধৰিলে । বোজা একেবাৰে পৰ্ব্বতৰ সমান হৈ পৰিল । ষাঠি লাখ ঘৰ বান্ধি তাৰ মাৰলীবোৰ আনিলে বোজাৰ ওপৰত দি সেইবোৰো বান্ধি ল'লে । বোজাটো তেনেই পাতল হৈ থকা বাবে ভীম অন্তেষপুৰ পালেগৈ । তাত থকা সাতোটা গড় ভাঙি একেবাৰে ভিতৰলৈ সোমাই গ'ল । ভিতৰত কুবেৰৰ ঘৰ । ঘৰটোৰ কাঠি সোণৰ আৰু মাৰলী ৰূপৰ । ভীমে সেইবোৰ ভাঙি পেলালে। এনে কাণ্ডত কুবেৰৰ খঙে মূৰৰ চুলি পালেগৈ । আঠোটা কুবেৰে ভীমক খেদি আহিল । এই কুবেৰ আঠোটাৰ নাম হ'ল— জলচূৰ, শঙ্খচূৰ, লক্ষচূৰ, বীৰা, অশ্বমুখ, ধনপোতা, দুৰ্জ্জয়, আৰু ত্ৰিশিৰা । ভয়ঙ্কৰ শৰীৰৰ কুবেৰ কেইটাই ভীমৰ ওপৰত জঁপিয়াই পৰিল । ভীমে হাতত মাৰলী লৈ উধাই-মুধাই সিহঁতক কোবাবলৈ ধৰিলে । এক কোবত ত্ৰিশিৰা কুবেৰৰ কাণ চিঙিল, ধনপোতা কুবেৰৰ বাহু ভাগিল, জলচূৰ কুবেৰৰ এটা চকু ফুটি গ'ল, বীৰা কুবেৰৰ কঁকাল ভাগিল । আনবোৰ কুবেৰ ভয়ত মধুসূদন স্মৰৰি পলাই পত্ৰং দিলে ।

ভয়ত কুবেৰৰ ধাতু যাওঁ যাওঁ । ভীমক নামাতি সকলোকে মনে মনে থাকিবলৈ দিলে । ঘৰ ভাঙি কুবেৰকো আহি ধৰে বুলি মনত ভয় সোমাল । সেয়েহে কুবেৰে ক'লে : “ই মহা দুৰ্জ্জন আৰু বৰ বলবান। আগতে ফুল-বন ভাঙি চূৰমাৰ কৰিছে । অনেক ৰখীয়া যক্ষকো বধ কৰিছে । ৰণত ই বৰ নিপুণ । এবাৰ মোকো পৰাজয় কৰিছে । এতিয়া মহাদেৱৰ ঘৰৰ গৰখীয়া । ইয়াক জোকালে হয়তো পিছত মহাদেৱেও খং কৰিব ।” কুবেৰৰ কথা শুনি কোনেও তাক একো



নামাতিলে । সকলো বাধা নেওচি ভয়ানক বোজা বান্ধি লৈ ভীমে ততালিকে ঘৰ পালেগৈ । ঘৰ পাই ভীমে 'বোজা ক'ত থম' বুলি চিঞৰি বোজাটো গিৰিস্ কৰি পেলাই দিলে । বোজা পেলাই দিয়াৰ লগে লগে ঠাট্‌কাৰ শব্দ উঠিল ।

যি ঠাইত বোজা পৰিল তাত শঙ্কৰৰ সাটোতা গড় আছিল। বোজাৰ ভৰত গড় সাতোটা ভাঙি চূৰমাৰ হৈ গ'ল । তাৰ লগতে তাত থকা বহুত ভূত প্ৰেত মৰিল । অনেক ঠাইৰ তৰু-বন উছন্ন হৈ গ'ল।

পাৰ্ব্বতীয়ে ভয়ঙ্কৰ বোজাটো দেখি তবধ মানিলে । ঘৰৰ গৰখীয়াক তেওঁ কোনোবা মায়াবী বুলি ভাবিলে । পাৰ্বতীয়ে থাল ভৰাই ভীমক ভাত দিলে । ভাত খাই-বৈ ভীম আনন্দ মনেৰে থাকিল ।

**ধন ধাৰে আনিবলৈ গৈ কুবেৰক বান্ধি লৈ ভীম মহাদেৱৰ ওচৰত উপস্থিত :**

এইদৰে কিছুদিন পাৰ হ'ল। কুবেৰ ধনৰ অধিপতি। এদিন পাৰ্বতীৰ ধনৰ দৰকাৰ হ'ল । তেওঁ ধন বিচাৰি কুবেৰৰ ওচৰ পালেগৈ । কুবেৰে ধন দিবলৈ মান্তি নহ'ল। দিবই বা কিয় ? খাই পাত ফলা ভোলানাথ। ধন ধাৰে দিলে পৰিশোধ কৰাৰ নিয়ম নাই । আগতে এবাৰ দুকুৰি হাজাৰ টকা কুবেৰৰ পৰা ধাৰ কৰি নিছিল। কিন্তু সেই ধাৰ পৰিশোধ কৰা নাই । কেতিয়াবা কুবেৰে ধন সাধিলে মহাদেৱে গুলোটাই ভাং খুন্দা টাঙোনেৰে জোকাৰে। সেই কাৰণে মহাদেৱক ধাৰলৈ দিয়া টকাৰ আশা কুবেৰে একেবাৰে এৰি পেলাইছে ।

মহাদেৱে ধন ধাৰলৈ নি পৰিশোধ নকৰা কথাটো কুবেৰে মনৰ দুখত ধনপোতা নামৰ যক্ষজনৰ আগত কৈছিল। সেই কাৰণে ধনপোতাই গৈ এদিন ধন সাধিলে। কিন্তু ধকুৱা মহাদেৱে ধন পৰিশোধ কৰিব দূৰৰ কথা, ধন সাধিবলৈ যোৱা বাবে ধনপোতাক চকু ৰঙা কৰি খেদি আহি টাঙোনেৰে খুন্দা মাৰি তাৰ দাঁত দুটা সৰাই পেলালে। বেচেৰা ধনপোতা ! ডেকা বয়সতে সোলাদঁতীয়া হ'ল।

লগৰীয়াবোৰে তাক দেখি হাঁহে। মহাদেৱক ধন ধাৰে দিয়াৰ এয়ে পৰিণাম। ইমানখিনি শিকি বুজি মহাদেৱক জানো কুবেৰে ধন ধাৰলৈ দিব পাৰে! আনক ধন ধাৰে দিলে সুত আৰু মূল দুয়োটা পোৱা যায়। কিন্তু ভঙুৱা মহাদেৱক দিলে মূলবো হাতাহাতি।

কুবেৰে পাৰ্বতীক ধন ধাৰে নিদি নানা কথা শুনাই পঠালে। কুবেৰৰ কথাত পাৰ্বতীয়ে লাজ আৰু অপমান পাই ঘূৰি আহিল। কথা শুনি মহাদেৱে নিজে ধন ধাৰে আনিবলৈ যাবলৈ ওলাল। মহাদেৱে ভীমক ভাঙৰ জুলিখন আনি দিবলৈ ক'লে। জুলি আনিবলৈ গৈ ভীমে দেখিলে মুণ্ডমালা। এই মালা মানুহৰ মূৰৰ খোলা জৰিৰে গাঁথি থোৱা। ভীমৰ ঘিণ লাগিল। হাতেৰে নুছুই আলগতে নিবলৈ ভীমে পৰ্বতৰ চাৰিওফালে ঘূৰি বৰ ডাঙৰ শিল এটা উভালি ললে আৰু তাৰ লগত জুলিখন নি মহাদেৱক দিলে। ভীমৰ কাণ্ড দেখি মহাদেৱে মিচিকি হাঁহিলে।

তাৰ পিছত ভীমে মহাদেৱক ক'লে: "হেৰ গুৰু! তুমি ইয়াত থাকা। মইয়েই কুবেৰৰ ওচৰলৈ ধন ধাৰলৈ যাওঁ।" লগে লগে ভীম যাবলৈ ওলাল। যমদূতে মানুহ আনিবলৈ যোৱাৰ দৰে বায়ু-পুত্ৰ ভীমে গৈ কুবেৰৰ ঘৰ পালে। ভীমৰ অগ্নিমূৰ্ত্তি দেখি কুবেৰৰ ধাতু উৰি গ'ল। তেওঁ ভয়ত একো নাই হৈ লৰ ধৰিলে। ভীমৰ হাতৰ পৰা জানো লৰ দি সাৰিব পাৰে! থাপ মাৰি কুবেৰৰ চুলিত ধৰিলেগৈ। কুবেৰৰ হাত ভীমে জৰপূৰ কৰি বান্ধিলে। "পাৰ্বতী আইদেৱে ধন খোজাত নিদিলি, তোৰ ইমান অহঙ্কাৰ? এতিয়া মোৰ হাতৰ পৰা ক'ত সাৰিবি? তোক আজি ভালদৰে শিকাম।" —বুলি কৈ ভীমে ষাঠি লাখ টকা উলিয়াই আনি কুবেৰৰ মাথাত তুলি দিলে। ধনৰ ভৰত কুবেৰৰ মাথা ফুটি যাওঁ যাওঁ হ'ল। কুবেৰে শঙ্কৰেকৰ ঘৰ দেখি গৰখীয়া ভীমক ধন দিবলৈ খুজিলে। কিন্তু ভীমক আৰু ধন কেলেই? কুবেৰৰ মাথাত তুলি দিয়া ষাঠি লাখ টকা জানো কম! ভীমে কুবেৰক কলে: "মোক আৰু ধন কিয় লাগিছে? এইবোৰ টকা আইৰ ওচৰলৈ কোনে নিব? হে আতাই! তয়েই লৈ বল।"

এই বুলি কৈ ভীমে ধনৰ বোজা কুবেৰৰ মাথাত ভালদৰে বান্ধি দিলে। এনেহেন গধুৰ বোজা মাথাত তুলি দিয়াত কুবেৰে হেঁপাই-



-ফোঁপাই থাকিবলৈ ধৰিলে। ভীমৰ হাতৰ পৰা কুবেৰৰ আজি সাৰণ নাই। ভীমে কুবেৰক গালি পাৰিবলৈ ধৰিলে: "হেৰ! ক'লা হাঁহ, ক'লা ছাগলী তোৰ প্ৰতি দিনৰ বলি। বলি নিদিলে তই মানুহৰ ল'ৰা-ছোৱালী মাৰি পেলাৱ। এই দৰে ভোগ খাই খাই তোৰ লুথুৰি বাঢ়ি গৈছে। আজি তোৰ ডাঢ়ি-গোঁফ উভালি থুতৰি ভাঙিহে এৰিম।"

কুবেৰৰ জুটুলা-জুটুলী ভোবোকাৰ ডাঢ়ি ভীমে কোছা-কোছাই উভালিবলৈ ধৰিলে। মূৰৰ চুলি ছিৰাছিৰ কৰি মুণ্ডন কৰি পেলালে। গোটেই শৰীৰত চূণ, কালি ঘহি দিলে। কপালত এটা কাজলৰ ফোঁট পিন্ধালে। কুবেৰৰ কি যে ৰূপ হৈ পৰিল। দেখিবলৈ ঠিক এটা হলৌ-পশু যেন হ'ল। কুবেৰক গদাৰে ঠেলি নি ভীম কৈলাস শিখৰ পালেগৈ। সখিয়েক কুবেৰৰ কু গতি দেখি মহাদেৱে অবাক হৈ চাই ৰ'ল। কুবেৰে মহাদেৱক ক'লে: "মই আৰু ধন নাৰাখোঁ। গৰখীয়া পঠাই মোক মাৰি শেষ কৰিবলৈ বিচাৰিছিলা?" কুবেৰৰ দুৰ্গতি দেখি মহাদেৱ খঙত জ্বলি উঠিল। সখিয়েকক অপমান কৰা বাবে ভীমক দুৰ্জন বুলি গালি পাৰিলে।

ভীম মনে মনে থকা বিধৰ নহয়। ভীমক গালি পাৰি কোন সাৰি যাব পাৰে? মহাদেৱৰ দুমুখীয়া কথা সহ্য কৰিব নোৱাৰি মাত দিলে: "হেৰ, ভঙুৱা শঙ্কৰ! তহঁতৰ দেখোন মুখৰ একো সঁজাত নাই। ততালিকে কথা লৰে। অলপ আগতে কলি, কুবেৰক ধৰি লৈ আহ আৰু যিমান পাৰ তিমান কিল-ভুকু মাৰিবি। এতিয়া আকৌ সখিয়েৰালৈ মৰম উথলি পৰিছে?" পাৰ্বতীৰ পিনে চাই ভীমে আকৌ ক'লে: "আই! তুমিয়োতো এইবোৰ কথাৰ সাখী। সকলো কথা তুমি আগৰ পৰা শুনি আছা। এতিয়া দেখিছানে এই জটীয়া ভাঙুৱীয়ে কি ক'বলৈ ধৰিছে?"

জোকৰ মুখত চূণ পৰিল। মহাদেৱ অবাক! এই ঔ-বিজলুৱা ল'ৰাটোৰ কথা শুনি মহাদেৱৰ হাঁহি উঠিল। তেওঁ মনতে ভাবিলে: "তেওঁৰ ঘৰৰ গৰখীয়া সামান্যজন নহয়। নিশ্চয় পাণ্ডু পুত্ৰ ভীম। ছদ্মবেশ ধৰি বনে বনে ঘূৰি ফুৰে। শ্ৰীকৃষ্ণৰ প্ৰসাদত ভক্তৰ বীৰত্ব অসীম হৈ পৰিছে।"

গৰখীয়াৰ অতপালিৰ গুৰি ক'ত তাক মহাদেৱে বুজি পালে। সখিয়েক কুবেৰৰ বান্ধ খুলি দি অতি আদৰ-সাদৰকৈ ঘৰলৈ পঠিয়াই দিলে।

### গৰখীয়া ভীমৰ পৰিচয়ঃ মহাদেৱৰ আশীৰ্বাদ লাভঃ

গৰখীয়া বাপুক মহাদেৱে ভীম বুলি মনতে ভাবিছে যদিও তেওঁৰ সন্দেহ দূৰ হোৱা নাই। সেয়েহে তেওঁ ভীমক সুধিলেঃ "হেৰা গৰখীয়া বাপু! কোৱাচোন বাৰু, তুমি কাৰ ল'ৰা।" ভীমে এইবাৰ আৰু মিছা কথা নক'লে। হাত যোৰ কৰি মহাদেৱৰ চৰণত পৰি ক'বলৈ ধৰিলেঃ "হে প্ৰভু, জগত-ঈশান! শুনা মই পাণ্ডুৰ ল'ৰা। মোৰ নাম ভীম। কুন্তী মোৰ মা। নৃপতি যুধিষ্ঠিৰ মোৰ ডাঙৰ ভাই। বীৰবৰ অৰ্জুন, নকুল আৰু সহদেৱ এই তিনিজন মোৰ সৰু ভাই। কৌৰৱহঁতে আমাক হিংসা কৰে। সেই কাৰণে আমি ঘোৰ বনে বনে ঘূৰি ফুৰিছোঁ। আমাৰ দুখৰ পাৰাপাৰ নাই। এতিয়া মই তোমাৰ ঘৰত গৰখীয়া হৈ আছোঁ। আচলতে মই তোমাৰ পৰা কিছুমান শৰ শিকিবলৈহে আহিছোঁ। তুমি দয়াশীল। মোক নিশ্চয় এইফেৰা দয়া কৰিবা।"

ভীমৰ মুখৰ পৰা সকলো কথা শুনি মহাদেৱে হাঁহি হাঁহি ভীমক বৰ দিলেঃ "ভীম! তুমি ৰণ-বিজয়ী হ'বা। গদা-যুদ্ধত তোমাক কোনেও বলে নোৱাৰিব। তোমালোক ককাই-ভাই পাঁচোটিৰ কুশল হওঁক।" বৰ দি উঠি মহাদেৱে ভীমক যুঁজ কৰিবলৈ বিধে বিধে অস্ত্ৰ দান কৰিলে। ভীমৰ আনন্দৰ সীমা নোহোৱা হ'ল। মনৰ কামনা পূৰ্ণ হোৱাত ভীমে হৰ পাৰ্বতীৰ পৰা বিদায় মাগিলে।

কাম্যবনত ভীমে মাক আৰু চাৰিজন ককাই-ভাইক এৰি থৈ আহিছিল। ভীমে বায়ুবেগে গৈ সেই বন পালে। ভীমক দেখি যুধিষ্ঠিৰ, অৰ্জুন, নকুল, সহদেৱ আৰু মাক কুন্তী হৰষত নাচি উঠিল। ইমান দিনে আটাইকেইজনে ভীমনো কেতিয়াকৈ ঘূৰি আহে তাকে ভাবি আছিল। সেই কাৰণে ভীমক পাই ঘৰখনৰ আটাইয়ে বৰ সুখ আৰু অসীম আনন্দ পালে। ভীমে মাক কুন্তী আৰু ককায়েক যুধিষ্ঠিৰক প্ৰণাম জনালে। ইমান দিনে ক'ত কি কৰিলে, সকলো কথা ভীমে বিৱৰি ক'লে। ভীমৰ বল-বুদ্ধি আৰু সাহসৰ কথা শুনি মাক আৰু চাৰিও ককাই-ভায়ে মনত বৰ বং পালে আৰু ভীমক প্ৰশংসা কৰিলে।

০ O ০

# ভীম-চৰিত

॥ পদ ॥

[কৌৰৱ শিশুহঁতৰ লগত ভীমৰ খেলা-ধূলা]

বৈশম্পায়ন * বদতি ১ শুনিয়ো নৰেশ্বৰ *।
কহোঁ কথা পাণ্ডৱৰ * ছৱাল ২ কালৰ ॥
বস্ত্ৰ পিন্ধিবাক নপাৱয় পাঞ্চো ৩ ভাই।
ধৃতৰাষ্ট্ৰ ৰাজা দুঃখ দিয়ে ছল পাই ॥
ধৃতৰাষ্ট্ৰ নৃপতিৰ পুত্ৰ একশত।
পাণ্ডৱে ক্ৰীড়িয়া ফুৰে তাহাৰ লগত ॥
সৱাতো অধিক ভীমসেন মহাবলী।
কৌৰৱসৱক ধৰি আচাৰয় তুলি ॥
ক্ষীৰ লাড়ু সবাহাৰ ৪ কাঢ়ি কাঢ়ি খায়।
গালি পাৰিলেও গাল ভাঙ্গে চৱৰাই ॥
সাত পাঞ্চ ছৱালক যোৰে আনি হাল।
হেঙ্গাটানা ৫ দিয়া নেই শৰীৰৰ ছাল ॥
কতো কতো ছৱালক ধোপক খেলয়।
গৃহকো লাগিয়া কতো লৱৰি ৬ পলায় ॥

---

*বৈশম্পায়ন :—কৃষ্ণ দ্বৈপায়ন বেদব্যাসৰ শিষ্য। ৰজা জনমেজয়ৰ সৰ্পসত্ৰ যজ্ঞৰ সময়ত এওঁ মহাভাৰত পাঠ কৰি শুনাইছিল।

*নৰেশ্বৰ :—ৰজা জনমেজয়। এওঁ অৰ্জুনৰ নাতি আৰু পৰীক্ষিতৰ পুতেক। তক্ষক নাগৰ দংশনত পিতৃ পৰীক্ষিতৰ মৃত্যু হোৱা কথা শুনি এওঁ সাপজাতিক নিৰ্মূল কৰিবলৈ সৰ্প-সত্ৰ যজ্ঞ পাতে। যজ্ঞকুণ্ডত পৰি হাজাৰ হাজাৰ সাপ মৰিল। আস্তিক নামৰ মুনি এজনৰ অনুৰোধত সৰ্প যজ্ঞ বন্ধ কৰাত তক্ষক আৰু বাকী থকা সাপৰ প্ৰাণ ৰক্ষা পৰিল। এই সৰ্প-সত্ৰ যজ্ঞতে বৈশম্পায়নে মহাভাৰত পাঠ কৰি শুনাইছিল।

*পাণ্ডৱ :—ৰজা পাণ্ডুৰ পাঁচ পুতেক পাণ্ডৱ নামে জনাজাত। যুধিষ্ঠিৰ, ভীম, অৰ্জুন, নকুল, আৰু সহদেৱ পাণ্ডুৰ পাঁচ পুত্ৰ। পাণ্ডৱৰ নাবালক অৱস্থাত পাণ্ডু স্বৰ্গী হয়।

---

১-কয় ২-ল'ৰালি ৩-পাঁচ ৪-সকলোৰে ৫-জাকৈ বা মৈ টনাদি চোঁচৰাই টানি নিয়া ৬-দৌৰি।

কান্দি কান্দি কহে ধৃতৰাষ্ট্ৰৰ আগত ।
শুনি ধৃতৰাষ্ট্ৰে পায় বিষাদ মনত ॥
পাছে একদিনা কৌৰৱৰ শিশুগণ ।
পকা জাম খাইবে লাগি কৰে আলোচন ॥
সৱে বোলে ভীমত নকৈবা কথা ভাই ।
ভাল ভাল পকা ফল সবে কাঢ়ি খাই ॥
এহিবুলি কুৰুগণে কাতো নকহিলা ।
মনে মনে গৈয়া জাম গছত চড়িলা ॥
কতো উঠিলেক গৈয়া বৃক্ষ উপৰত ।
কতো ফল বোটলয় তাহাৰ তলত ॥
অনন্তৰে ১ ভীমে কাৰো লগক নাপাই ।
কৈক গৈলা শিশু বুলি ফুৰে গেৰিয়াই ১ ॥
বিকৰ্ণ-শকুনি-দুঃশাসন-দুৰ্য্যোধন * ।
মোক এড়ি গৈল সবে কিসৰ কাৰণ ॥
এহি বুলি ভীমসেনে মাতিবে লাগিলা ।
খোজ গুড়ি গুড়ি যাই তহিতে দেখিলা ॥
লাগ পাই বৃক্ষৰ মূৰত ভৈলা থিৰ ।
দেখি শিশুসবৰ উড়ি গৈল জীৱ ॥
কতো ফল দিয়ে আনি ভীমৰ হাতত ।
ক্ষমা কৰা বৃকোদৰ ৩ ধৰো চৰণত ॥
ভীমে বোলে তোৰ ফল নলাগে বোপাই ।
পাৰি খাইবে লাগি জানো মোৰ হাত নাই ॥
আগে নমাতিয়া সৱে আসিলি গৰ্বত ।
এবে ৪ পকা ফল যাচ কিলৰ ভয়ত ॥

* শকুনি :—অন্ধৰাজ ধৃতৰাষ্ট্ৰৰ পত্নী গান্ধাৰীৰ ভায়েক আৰু দুৰ্যোধনৰ মোমায়েক । এওঁ বৰ কূট বুদ্ধিৰ লোক আছিল । কপট পাশাখেলত জয়লাভ কৰি পাণ্ডৱক বনবাসলৈ পঠাইছিল । সহদেৱৰ হাতত শকুনিৰ প্ৰাণ নাশ হয় ।

* বিকৰ্ণ, দুঃশাসন, দুৰ্যোধন :—অন্ধৰাজ ধৃতৰাষ্ট্ৰৰ তিনিজন পুত্ৰেক । কুৰুক্ষেত্ৰ-যুদ্ধত ভীমে দুৰ্যোধনৰ উৰু ভাঙে আৰু বিকৰ্ণ আৰু দুঃশাসনক বধ কৰে ।

১-অলপ পিছত ২-চিঞৰি ৩-ভীম ৪-এতিয়া ।



ৰহ আজি তোৰসৱে দিবো প্ৰতিফল ।
আনদিনা হেন যেন নকৰ কন্দল ॥
এহি বুলি বৃক্ষত ধৰিলা বীৰবৰ ।
ঝঙ্কাৰিবে লাগিলা যে কৌতুক অন্তৰ ॥
ডালত সাৰটি ধৰি ভয়ে শিশুগণ ।
কাউ-মাউ ১ কৰি বোলে ভীমক বচন ॥
আজি হন্তে লাগ লৈবো নপাৰিবো গালি ।
সৰ্বদায়ে থাকিবো তোমাৰ আজ্ঞা পালি ॥
তথাপিতো ভীমে সেই বৃক্ষত ধৰিলা ।
ঠাটকাৰ কৰি বৃক্ষ মাজতে ভাঙ্গিলা ॥
কাহাৰো ভাঙ্গিল হাত কাহাৰো ভাঙ্গিল যে ভৰি ।
অচেতন হৈয়া কতো থাকিলেক পৰি ॥

ধৃতৰাষ্ট্ৰৰ বিষাদ ঃ

স্মৃতি পাই সকলো গৃহক চলি গৈলা ।
সমস্ত ২ বৃত্তান্ত ধৃতৰাষ্ট্ৰত জনাইলা ॥

ভীমক মাৰিবলৈ ষড়যন্ত্ৰ

কহিলন্ত ভীমে ভাঙ্গিলেক বৃক্ষডাল ।
শুনি ধৃতৰাষ্ট্ৰৰ বুকত দিলে শাল ৩ ॥
দূতক পঠায়া ৰাজা চাহিলেন্ত পাছে ।
দেখিলেক বৃক্ষ ডাল ভাঙ্গি পৰি আছে ॥
দূতে যাই কহিলেক স্বৰূপ বচন ।
ভীমক মাৰিবে লাগি কৰিলা যতন ॥
সাত পাঞ্চ বিষক যে আনিলা গোণ্টাই ৪ ।
ভাণ্ডমত বিষলাড়ু থৈলেক সজাই ॥
আপোনাৰ একশত তনয় মাতিলা ।
পাঞ্চ পাণ্ডৱক যতাই সেইস্থানে নিলা ॥
অমৃলাড়ু সবাৰো হাতত সমৰ্পিলা ।
বিষলাড়ু গোট নিয়া ভীম হাতে দিলা ॥
নজানিয়া ভীমে তাক পেলাইলেক খাই ।
কিছু কিছু কৰি বিষ লাগিলেক যাই ॥
বায়ু ৰাজা বতাহ আনিলা সঞ্জীৱনী ।
নিমিষেক মানে বিষ হয়া গৈলা পানী ।
মৰিবেক বুলিয়া গৃহক পঠাই দিলা ।
প্ৰভাতত ভীম পুনু আসিয়া মিলিলা ॥

১-বিনয়, মিনতি ২-সকলো ৩-খোঁচ ৪-গোটাই ।

হেন দেখি ধৃতৰাষ্ট্ৰ গুণে মনে মনে ।
এনুৱা ১ বিষক খাই নমৰিলা কেনে ॥
টিপি মাথা ২ ভাঙো বুলি ভীমক মাতিলা ।
নজানিয়া ভীমে যাই ওচৰ চাপিলা ॥
ৰায়্ ৰাজা দেখি বোলে মিলিল অকাজ ।
পুত্ৰ মোৰ মৰি আজি যায় যমৰাজ ॥
যোগবলে লোহাৰ যে প্ৰতিমা সাজিলা ।
ভীমৰ মুণ্ডত নিয়া সেহিকালে দিলা ॥
ধৃতৰাষ্ট্ৰ ৰাজা তাঙ্ক ৩ আছিলেক ধৰি ।
পাছে টিপি ভাঙিলেক চূৰ্ণাকৃত কৰি ॥
পুত্ৰ মাৰিলেক বুলি কুন্তীয়ে চেঞায় ৪ ।
ভয়ে ভীম তৈৰ পৰা গৈলেক পলাই ॥
দেখিয়া আসিলা যেদি ভীষ্মে* কৰি ৰঙ্গ ।
জতুগৃহত পাণ্ডৱ — ধৃতৰাষ্ট্ৰে বোলে মই কৰিলোঁ হো ৰঙ্গ ॥
সিয়োমতে ভীমক মাৰিবে নপাৰিলা ।
পাছে ধৃতৰাষ্ট্ৰ ৰাজা মনত গুণিলা ॥
জতুগৃহ+ সাজি পুৰি মাৰো পাণ্ডৱক ।
এহি বুলি ধৃতৰাষ্ট্ৰ গুণয় মনত ॥
ভীষ্ম দ্ৰোণ+ বিদুৰত* পুছিলন্ত কাজ ।
ৰাজা হৈয়া পাণ্ডৱে পালোক নিজ ৰাজ ॥

* ভীষ্ম : ৰজা শান্তনুৰ পুতেক । প্ৰতিজ্ঞাবদ্ধ হৈ জীৱনত বিয়া নকৰালে । পাণ্ডুৰ মৃত্যুৰ পিছত ভীষ্মই নাবালক পাঁচ পাণ্ডৱক ডাঙৰ-দীঘল কৰি ক্ষত্ৰিয়ৰ উপযুক্ত শিক্ষা-দীক্ষা দিয়ায় । কৌৰৱে পাণ্ডৱক হিংসা কৰাত ভীষ্মই বৰ বেজাৰ পাইছিল । কৌৰৱৰ আশ্ৰয়ত থকা বাবে কুৰুক্ষেত্ৰ সমৰত কৌৰৱৰ প্ৰধান সেনাপতি হৈ ৰণ কৰি অৰ্জুনৰ শৰৰ প্ৰহাৰত শৰশয্যাত কিছুদিন থাকি উত্তৰায়ণ কালত ইচ্ছামৃত্যু বৰণ কৰে ।

* দ্ৰোণ : ভৰদ্বাজ মুণিৰ পুত্ৰ । এওঁ কৌৰৱ আৰু পাণ্ডৱৰ অস্ত্ৰ শিক্ষক আছিল । কুৰুক্ষেত্ৰ যুঁজত কৌৰৱৰ প্ৰধান সেনাপতি হৈ ৰণ কৰি দ্ৰুপদ ৰজাৰ পুত্ৰ ধৃষ্টদ্যুম্নৰ হাতত মৃত্যু বৰণ কৰে ।

* বিদুৰ : ব্যাসদেৱৰ ঔৰসত জন্মা দাসী-পুত্ৰ । ধৃতৰাষ্ট্ৰৰ কনিষ্ঠ ভায়েক । পাণ্ডৱসকলক বৰ মৰম-স্নেহ কৰি সকলো বিপদতে বিদুৰে সহায় কৰিছিল । এওঁ মহা ধাৰ্মিক আৰু সত্যবাদী আছিল ।

* জতুগৃহ : পাণ্ডৱক পুৰি মাৰিবলৈ কৌৰৱে বাৰণাৱত নামৰ ঠাইত সজা এটি ঘৰ । জুই লগাই দিয়াৰ লগে লগে এই ঘৰটি ভস্মীভূত হৈ যায় ।

১-এনেকুৱা, ২-মূৰ, ৩-তাক, ৪-কান্দে, চিঞৰে ।



ৰাপেকৰ ৰাজ্যমানে সবে তাক দেওঁ ।
তেবেসে লোকৰ মই দুৰ্যশ এৰাওঁ ॥
নজানিয়া ভীষ্ম দ্ৰোণ অনুমতি দিলা ।
জতুগৃহ সাজি পাণ্ডৱক তৈকে নিলা ॥
অনন্তৰে ভৈলা আসি পথুলি সময় ।
পঞ্চ পুত্ৰ চাণ্ডালিনী গৈল সেহি ঠাই ॥
চাণ্ডালিনী বদতি শুনিয়ো কুন্তী আই ।
ৰাত্ৰিগোট ৰঞো আতে দিয়া মোক ঠাই ॥
কুন্তী বোলে আই তই থাকিয়োক এথা ।
তোৰ পাঞ্চ পুত্ৰ দেখি মোৰ লাগে বেথা ॥
তোৰ পাঞ্চ পুত্ৰ আৰু মোৰ পাঞ্চ গুটি ।
এহি বুলি অন্ন পান দিলা নিয়া কুন্তী ॥
খাই বই চাণ্ডালিনী তথাতে ১ ৰহিলা ।
পাঞ্চ পুত্ৰ সমে সুখে পৰি নিদ্ৰা গৈলা ॥
ধৃতৰাষ্ট্ৰ নৃপতিৰ নুবুজিয়া চিত ।
হেন চিন্তি ভীমে বসি ৰহিলা তহিত ২ ॥
অনন্তৰে গৈল যেবে দুইপৰ ৰাতি ।
ভীমসেনে গদা ধৰি আছন্ত নমাতি ॥
পাছে দুষ্ট কৌৰৱে ঘৰত জুই দিলা ।
গিৰ্ গিৰ্ কৰি সিটো অগনি উঠিলা ॥
হেন দেখি ভীমসেন আথ-বেথ কৰি ।
চাৰি ভাই কুন্তীক যে এক হাতে ধৰি ॥
আৰো ৩ হাতে গদাগোট ভূমিত মাৰিলা ।
প্ৰহৰেক মানে পথ ভূমি বিদাৰিলা ॥
সেহি পথে পাঞো ভাই গৈলেক পলাই ।
পাঞ্চ পুত্ৰ চাণ্ডালিনী পুৰি ভৈল ছাই ॥
পাণ্ডৱ পশিলা ৪ পাছে ঘোৰ বন মাজ ।
কৌৰৱে কৰিলা চাণ্ডালৰ প্ৰেত কাজ ॥
বৈশম্পায়ন বদতি শুনিয়ো নৰেশ্বৰ ।
পাণ্ডৱ পশিলা ৰকাসুৰৰ নগৰ ॥
এক বৃদ্ধ ব্ৰাহ্মণে পথত লাগ পায়া ।
ঘৰক লাগিয়া পাছে নিলেক মাতিয়া ॥

১-তাতে, ২-তাত, ৩-আন আৰু ৪-প্ৰৱেশ কৰিলে ।

ব্ৰাহ্মণে বোলন্ত তোৰা কৈয়ো সত্য কথা।
কৈৰ পৰা আসি বাপু পশিলাহা এথা ১ ॥
কুন্তী বোলে আছিলোঁ হেঁ। মগধ ৰাজ্যত।
তৈৰ ২ পৰা পলাই আসি আছোঁ। ইথানত ॥
ব্ৰাহ্মণে বোলন্ত আজি থাকিয়োক এথা।
তোৰ পাঞ্চ-পুত্ৰ দেখি মোৰ লাগে বেথা ॥
হেন শুনি পাণ্ডৱ ৰহিলা সেই ঠাই।
গৰু চালি থৰি কৰি পেট প্ৰৰৰ্ত্তাই ॥
সি দেশৰ নৃপতিৰ শুনিয়ো ভোজন।
ৰবিষত লাগয় মনুষ্য এক জন ॥
এহিমতে অসুৰে মনুষ্য মাৰি খায়।
তেৰে বকাসুৰ ৰাজা নিৰন্তিয়া যায় ॥
ঘৰে ঘৰে পঞ্জা কৰি মানুষ আনয়।
দিৰসত ৩ ৰাজা পাতি আসনে থৰয় ॥
ৰাত্ৰি ভৈলে বকাসুৰে কৰয় ভোজন।
এহিমতে সিটো ৰাজ্য ভৈলেক উচ্চন ॥
সেহি বৃদ্ধ ব্ৰাহ্মণৰ পৰিলেক পাল।
দূতে যাই ব্ৰাহ্মণক কহিলে সকল ॥
নিগদতি ৪ দূত বাপু শুনিয়ো বচন।
আজি ৰলি লাগয় তোমাৰ এক জন ॥
ঘৰ মধ্যে দেখো তোমাসাৰ তিনি প্ৰাণী।
কোন গুটি যাইবা সাজু হুয়োক আপুনি ॥
হেন শুনি বিপ্ৰে পাছে থিৰয়ে মৰিলা।
গলাগলি কৰি তিনি কান্দিবে লাগিলা ॥
ব্ৰাহ্মণীক আশ্বাসি ব্ৰাহ্মণে বোলে বাক্ ৫।
মই বলি ভৈলোঁ। তুমি পালিবা পুত্ৰক ॥
ব্ৰাহ্মণী বদতি স্বামী, শুনা মোৰ বাক্।
মই বলি ভৈলো তুমি পালিবা পুত্ৰক ॥
কুমাৰে বোলয় জননীৰ মুখ চাই।
মই বলি যাও মাতৃ পালিবা পিতাক ॥
এহিমতে তিনি জনে কৰে আলোচন।
আৰ্ত্তস্বৰে গলাগলি কৰয় ক্ৰন্দন ৬ ॥

১-ইয়াত, ২-তাৰ, ৩-দিনত, ৪-কয়, ৫-কথা, ৬-কান্দোন।



ব্ৰাহ্মণৰ শোকে ভীমে ভৈলেক সহায়।
মাতৃক প্ৰণাম কৰি বুলিলা বিনয় ॥
মোক এৰি দিয়া আই চিন্তা পৰিহৰি।
অসুৰক মাৰি মই আসো শীঘ্ৰ কৰি ॥
হেন শুনি কুন্তী পাছে বুলিলন্ত বাণী।
নাকান্দিবা গুৰু মোৰ দিবোঁ। পুত্ৰখানি ॥
ব্ৰাহ্মণে বোলন্ত ৰাম বিষ্ণু হৰি হৰি।
অভ্যাগত ১ হুয়া হেন বোলা কেন কৰি ॥
কুন্তী বোলে স্বভাৱে খাইবাক নাহি ভাত।
এক পুত্ৰ দিবোঁ। গুৰু চিন্তা এৰা আত ॥
হেন শুনি ব্ৰাহ্মণৰ শৰীৰ জুৰাইল।
অসংখ্যাত লোকে বহু সম্ভাৰ ২ মিলাইল ॥

বকা-সুৰৰ ভোজন-সম্ভাৰ

চতুৰ্দিকে পৰ্ব্বত মাজত এক গাঁও।
ভয়ঙ্কৰ ঘৰগোট সাজি আছে তাত ॥
শাৰী শাৰী পুখুৰী মাজত ৰাজ-আলি।
হাজাৰেক মানে ভাত পাতি আছে থালী ॥
তিনি হাজাৰেক লোকে ভাতক ৰান্ধিলা ॥
পৰ্বত আকাৰ কৰি দমাই ৰাখিলা ॥
মহিষ হাজাৰ দশ ৰান্ধি নমাই থৈলা।
অগনিৰ তাপে সবে হাৰাশাস্তি ভৈলা ॥
হৰিণ ছাগল তাৰ নাহি লেখা-জোখা।
কাঠিয়ৰা ৩ কৰি সবে থৈলা থোকা-থোকা ॥
খৰিকা জাহাৰ পিঠা অনেক দমাই।
ঘনক্ষীৰ মধু থৈলা থালক ভৰাই ॥
মদ্যৰ কলস যাঠি ভাগে ভাগে।
দশভাৰ গুৱা থৈলা মুখশুদ্ধি লাগে ॥
পুজাৰ সকল যেৰে মিলিল সম্ভাৰ।
অসংখ্যাত লোক গৈল ব্ৰাহ্মণৰ ঘৰ ॥
দণ্ড ছত্ৰ বিচিত্ৰ চামৰ যত যত।

বকা-সুৰৰ বলি ভীম

দেখি কুন্তী ভীমক যে দিলন্ত আগত ॥
সুকোমল দেখিয়া চৌদলে ৪ তুলি লৈলা।
বস্ত্ৰ অলঙ্কাৰ দিয়া ভীমক সজাইলা ॥

১-অতিথি, ২-সামগ্ৰী, ৩-খৰিকাত দিয়া, ৪-চাঁদিহনে কৰিয়াই নিয়া দোলা

পাছে প্ৰবেশাইলা নিয়া সেহি ঘৰ মাজ ।
দণ্ডে ছত্ৰে ভীমক পাতিয়া যুৱৰাজ ॥
সুৱৰ্ণৰ খাটে পাছে থৈলন্ত বৈসায় ১ ।
হাতে গলে বান্ধি থৈলা জিঞ্জিৰি ২ লগাই ॥
বকাসুৰ আসিবাৰ সময় মিলিলা ।
নিৰত্তিয়া লোক সব ঘৰাঘৰি গৈলা ॥
বকাসুৰ আসি পাছে লগাইলেক সাৰি ।
দূৰহন্তে অসুৰে মাৰিলা নাকজাৰি ॥
বকাসুৰ আসিবাৰ ভীমে সাৰ পাইল ।
লোহাৰ জিঞ্জিৰি মানে ছিণ্ডিয়া ৩ পেলাইল ॥
হেন দেখি ভীমে পাছে গুণয় মনত ।
ভাত খাই ইহাক কৰোঁহো মই হত ৪ ॥
এহি বুলি ভীমে ভাত খাইবাক লাগিলা ।
ঘনক্ষীৰ সকলক থালী থালী পিলা ॥
পিঠা পৰমান্ন খাইলা যত অন্ন পান ।
খাই আণ্টাইলেক সকলো ব্যঞ্জন ॥
ভাত খাই ভীমসেনে পাৰয় টকালি ।
ঘনে ঘনে হাসি মাত্ৰ তোলে খলখলি ॥
ভীমসেনে বোলে মোৰ মিলিল সন্তোষ ।
বকাসুৰ আসি তই কিছুমান খাস ॥
হাত তিনি চাৰি তোৰ বাঢ়ি আছে দান্ত ।
ঘৰ সোমৱন্তে দান্ত লাগয় চালত ॥
খুমুচি আকাৰ মুখ দেখিবাক ভাল ।
পথ চাঙ্কিবাক যেন হাড়ীৰ কোডাল ॥
জুটুলা-জুটুলি চুলি উঠঙা কপাল ।
তোহোৰ যে গৰ্বচূৰ কৰিবো সকাল ৫ ॥
হেন শুনি বকাসুৰে গুণে মনে মন ।
বলিগোট হুৱা মোক কৰে বিকৰ্থন ৬ ॥
আন দিনা বলি দেখোঁ গৰ্ভ যাই গলি ।
আজি বলিগোটে দেখোঁ হাসে খলখলি ॥
বকাসুৰে বোলে তই কোথেৰ ৭ দুৰ্জন ।
বলি হুৱা কি কাৰণে খাইলি মোৰ অন্ন ॥

১-বহুৱায় ২-শিকলি ৩-ছিঙি ৪-বধ ৫-বাতিপুৱা, শীঘ্ৰে ৬-নিন্দা ৭-ক'ৰ



ভীমে বোলে শুন অৰে বকাসুৰ ভাই ।
মই ভাত খাওঁ তই থাক বাট চাই ॥
তই জান বকাসুৰ মোহোৰ সেৱক ।
গৃহস্থে নখাইল কোনে দিয়ে কুকুৰক ॥
হেন শুনি বকাসুৰে ক্ৰোধে খেদি গৈলা ।
ভীমৰ মাথাত এক কোবক বসাইলা ॥
আৰো সাতগোটা কোব দিলেক মাথাত ।
কটাক্ষো[১] নকৰে ভীমে খাই মাত্ৰ ভাত ॥
ইভিতিৰ পৰা ভাত সিভিতি চলাই ।
ঘনক্ষীৰ মধু পিয়ে পেটক ভৰাই ॥
মহাপৰাক্ৰমী ঘোৰ ৰাক্ষস দুৰ্জন ।
আঁজোৰ পিজোৰ[২] ধৰি অনেক কৰয় ॥
আগক লাগিয়া কতো হেম্পোচয়[৩] ধৰি ।
ঠেলিবে নপাৰে যেন হেমন্ত[৪] গিৰি ॥
হেন দেখি বকাসুৰে মহাক্ৰোধ কৰি ।
বকাসুৰ ভীমৰ কুক্ষিত[৫] মুঠি দিলা টান কৰি ।
বধ পাছে ভীমসেনে মুখ আচান্ত কৰিল ॥
অসুৰক মহাকোপে গৰ্জিবাক লৈলা ।
লঘুহাতে[৬] মাৰিলেক চৱৰ ধৰিলা ।
দশগোটা দন্ত[৭] তাৰ গৈল উফৰিয়া ॥
একেহাতে দুয়োহাত ধৰিয়া জপাই ।
গলে চেপা দিলা সিটো উশাহ নপায় ॥
উপৰক তুলি পাক দিলা টান কৰি ।
সিটো বকাসুৰ গৈল আকাশতে মৰি ॥
মাটিত আচাৰে তাৰ মৰা কলেৱৰ ।
লৰিলেক দশোদিশ সপত[৮] সাগৰ[৯] ॥
বকাসুৰ বীৰ যেবে যমপুৰে গৈলা ।
সপ্ত-দ্বীপ[১০] বসুমতী টলমল ভৈলা ॥
পাতালত অনন্তৰ ফণাও লৰিল ।
শুনিয়া লোকৰ হৃদিকম্প লাগি গৈল ।

১-দৃষ্টি ২-টনা-আঁজোৰা ৩-জোৰেৰে ঠেলি ৪-হিমালয় ৫-পেটত ৬-বাওঁহাতে ৭-দাঁত ৮-সপ্ত, সাত ৯-সপত সাগৰ-লৱণ, ইক্ষু, সুৰা, ঘিউ, দধি, দুগ্ধ, জল ১০-সপ্তদ্বীপ=প্লক্ষ, ক্ৰৌঞ্চ, শালমলি, কুশ, জম্বু, পুস্কৰ, শাক ।

প্ৰজালোকে বোলে আজি প্ৰলয় মিলিল ।
অসুৰ ৰজাৰ কিবা জগৰ ১ লাগিল ॥
নজানি নুশুনি কৈৰ বলি দিল আনি ।
ব্ৰাহ্মণক খঙ্গে হেন বুলিলেক বাণী ॥
কেহো বোলে বন্দী কৰোঁ তিৰী যে গোটক ।
কেহো বোলে বন্দী কৰোঁ এই ব্ৰাহ্মণক ॥
এহি বুলি লোক সবে আলচ কৰিলা ।
চাৰি ভাইক কুন্তী সমে বন্দী কৰি থৈলা ॥
অনন্তৰে প্ৰভাত ভৈলেক দিবাকৰ ।
হাতে শূল ধৰি খেদি আইল জম্ভাসুৰ ॥
জম্ভাসুৰ সহস্ৰ লোহাৰ ভাৰ শূলক উচাই ।
বধ হানিবাক আসে আগ-পাচক নচাই ॥
জম্ভাসুৰে বোলে তই কোথেৰ দুৰ্জন ।
মোহোৰ জ্যেষ্ঠক মাৰিলিহি কি কাৰণ ॥
দেখি ভীমে শাল গাছ লৈলেক উভাৰি ।
অসুৰৰ মাথাত মাৰিলা এক বাৰি ॥
অসুৰেও মহাখঙ্গে নানা অস্ত্ৰ ধৰি ।
ভীমৰ গাৱত হানিলেক ক্ৰোধ কৰি ॥
অসংখ্যাত শৰ আসি পৰয় গাৱত ।
ভীমৰ গাৱত পৰি নিবিন্ধে চালত ॥
জাম্প দিয়া ভীমে তাৰ ধৰিলা চুলিত ।
দোঁৱাই ২ ধৰিলা আনি মুচৰি তলত ॥
গাৱৰ সন্ধানে তাক মাৰিলেক কিল ।
ৰাজহাড় ভাঙ্গি তাৰ কুঁজ নিকলিল ॥
লাথি মাৰি পাছে পেহলাইলেক বগৰাই ।
মৰিলেক জম্ভাসুৰ দান্ত নিকতাই ॥
বকাসুৰ জম্ভাসুৰ মাৰি ভীমসেনে ।
সিংহনাদ কৰি ৰহিলন্ত সেহি স্থানে ॥
নগৰীয়া লোকসব চলি গৈলা পাছে ।
দেখন্ত অসুৰ দুই মৰি পৰি আছে ॥
হেন দেখি লোক সবে বিস্ময় মানিলা ।
ভীমৰ পাৱত যাই শৰণ পশিলা ॥

১-অপৰাধ ২-তললৈ টানি অনা



ৰাজপাটত পাছে ভীমে ব্ৰাহ্মণক আনি সেই থানে ।
আশ্ৰয়দাতা ৰাজা পাতি তথাতে থৈলন্ত তেতিক্ষণে ॥
ব্ৰাহ্মণ সংক্ষেপে কহিলোঁ ইটো কথা যত যত ।
ইহাৰ শ্ৰৱণে হোৱে মহাপাপ হত ॥
ৰাম সৰস্বতী ভণে ১ এড়া আন কাম ।
পাতক ২ ছাড়োক ৩ ডাকি বোলা ৰাম ৰাম ॥

## ॥ পদ ॥

বৈশম্পায়ন বদতি শুনিয়ো নৰেশ্বৰ ।
কাম্যবনত পাণ্ডৱ পশিলা কাম্যবনৰ ভিতৰ ॥
পাণ্ডৱ ঃ ঘোৰ অৰণ্যত চলি যান্ত পাঞ্চো ভাই ।
তৃষ্ণায়ে আকুল ভৈল যুধিষ্ঠিৰ ৰায় ॥
জ্যৈষ্ঠ মাসৰ তাপে কণ্ঠক শুকাই ।
তৃষ্ণায়ে নৰহে দেহা যেন প্ৰাণ যায় ॥
যুধিষ্ঠিৰে ভীমক যে বুলিলন্ত বাণী ।
চাহ ভীমসেন কত দূৰে আছে পানী ॥
হেন শুনি ভীমে জল চাহিবাক গৈলা ।
অনেক বিচাৰি ভীমে পানীক নপাইলা ॥
বৃক্ষত উঠিলা জল চাহিবাক বুলি ।
পানী উঠন্ত সকল বৃক্ষ পৰে ভাঙ্গি ঢলি ॥
বিচাৰি গৈ পৰ্বতত উঠি ভীমে চাহিলন্ত পাছে ।
ভীমৰ ভয়ঙ্কৰ সৰোবৰ কতো দূৰে আছে ॥
কুম্ভীৰ বধ দীৰ্ঘে দশ যোজন পথালি দশ জুৰি ।
জলচৰ পক্ষী চড়ি আৰু শাৰী শাৰী ॥
উঠি আছে এক জন্তু সাক্ষাত দেখিল ।
পৰ্বতৰ নামি ভীম তৈকে লাগি গৈল ॥
যেহেন দেখয় তাক ধৱল ৪ পৰ্বত ।
ভীমক দেখিয়া সিটো নামিল জলত ॥
হেন দেখি ভীমসেনে গুণয় মনত ।
পানীক পিয়ন্তে জানো ধৰয় ঠেঙ্গত ॥

১-লিখে ২-পাপ ৩-দূৰ হওঁক ৪-বগা

যি হোক সি হোক বুলি নামিলা জলত ।
এক চলু জল আনি দিলন্ত মুখত ॥
এতেকতে কুম্ভীৰে মাৰিলেক লাঞ্জ[১] ছাটি ।
পৰিলেক জল দশোদিশক প্ৰকটি ॥
লাঞ্জৰ ছাটিত ভীমে চক্ষুক মুদিলা ।
বিদ্যুত[২] সঞ্চাৰে আসি কামোৰেক দিলা ॥
কামোৰ মাৰিয়া সিটো নিলেক তলক ।
যোজন তলক লাগি নিলেক ভীমক ॥
উশাহ নপায়া ভীমে আন্দোলেক দিলা ।
তৈৰপৰা দুয়ো যাই তীৰত পৰিলা ॥
আস্ফলা-আস্ফলি দুয়ো কৰয় তীৰত ।
পুনৰ্বাৰ পৰিলেক জলৰ মাজত ॥
গমিৰাজ নামে পক্ষী আছে উপৰত ।
বোলে দুয়োগোট মৎস্য যুজয় জলত ॥
এহি বুলি পক্ষীৰাজ আসিলেক ধাই[৩] ।
থাপ মাৰি দুয়োকো নিলে উৰুৱাই ॥
উৰুৱাই নিয়া যাই বৃক্ষত পৰিলা ।
হালি ভাগি বৃক্ষ গোট চূৰ্ণাকৃত ভৈলা ।
শঙ্খচূৰ হৰ হৰ শবদে পৰিলেক পাছে ।
হস্তীবধ শঙ্খচূৰ নামে হস্তী সেই স্থানে আছে ॥
কি পৰিলা বুলি সিটো চাৰি পাশে চাইলা ।
মনুষ্যৰ গোন্ধ পাই উমাশ[৪] বাঢ়িলা ॥
দুয়োদন্তে ভীমক যে ধৰিলেক ভিৰি[৫] ।
চাৰিহন্তে তৈৰ পৰা পৰিল বাগৰি ॥
আন্দোলক[৬] দিয়া ভীম উপৰে চড়িল ।
কতদূৰ মানে সিটো পৃথিৱী লৰিল ॥
শঙ্খচূৰ হস্তীক মাৰিল পাক দিয়া ।
গমিৰাজ শুণ্ড[৭] সমে মুণ্ড তাৰ গৈলেক ছিঙ্গিয়া ॥
পক্ষী বধ গমিৰাজ পক্ষীক মাৰিলা হাত গেৰি[৮] ।
মুণ্ড চিঙ্গি গৈল তাৰ কত দূৰে পৰি ॥

১-নেজ ২-বিজুলী ৩ খেদি ৪-উন্মাদনা ৫-হেঁচি, জোৰকৈ ৬-সঞ্চালন
৭-শুঁড় ৮-প্ৰহাৰ কৰি



থাপ মাৰি কুম্ভীৰৰ মাথা গোট ধৰি ।
পকাই চিণ্ডিলা ঘাৰ মূচৰি মূচৰি ॥
শঙ্খ যে চূৰৰ দন্ত নৈলেক উভাৰি ।
অসংখ্যাত কটক[১] মাৰিলা তাৰ বাৰি ॥
কতো পলাইলেক কতো মৰি গৈলা প্ৰাণ ।
কুবেৰত যাই কতো পশিলা শৰণ ॥
ভীম- হেন শুনি কুবেৰেও বৰ খঙ্গ মনে ।
কুবেৰৰ গদা ধৰি ভীমক ধাইলেক তেতিক্ষণে ।
ৰণ কাৰ্ত্তিক-গণপতি দুয়ো কুবেৰৰ সঙ্গে ।
ধনু ধৰি খেদিয়া আসিলা বৰ খঙ্গে ॥
বনমাজে ভীমক ছৱাল হেন দেখি ।
হাসিয়া মাতিলা পাছে মহেশ্বৰ সখি ॥
ছৱালগোটৰ তোৰ এত মুনিষাই[২] ॥
পুষ্পবন ভাঙ্গি সেনা মাৰিলি কোবাই ।
ভীমে বোলে শুন অৰে কুবেৰ আতাই ।
স্বৰূপত বুজা যদি মোত দোষ নাই ॥
পানীক পিয়ন্তে ধৰে কুম্ভীৰে ঠেঙত ।
পক্ষী গোটে উৰাই পেলাইলেক ইথানত ॥
হস্তী গোটে পাছে ধৰিলেক দান্তে ভিৰি ।
সি কাৰণে কতো পুষ্প গৈলেক উভাৰি ॥
হেন শুনি কুবেৰে যে তুলিলেক হাস[৩] ।
চাপ চুপ কৰি বেটা পলাইবাক চাস ॥
ভীমে বোলে শুন অৰে ৰাৱণৰ ভাই ।
তই যদি যুঁজহ তোহোক ভয় নাই ॥
কাৰ্ত্তিক-গণপতি দুইকো দেখোঁহো লগত ।
তেসম্বো যুঁজহ যদি তাহাঙ্কো শকত ॥
তথাপিতো ক'লো মই ধৰ্মক ধিয়াই[৪] ।
পাছে কিছু দোষ মোত নিদিবা আতাই ।
হেন শুনি কাৰ্ত্তিক হানিলা দশ বাণ ।
ভীমৰ গাৱত যাই পৰিল সন্ধান ॥
শৰ ঘাৱে ভীমসেন বৰ লাজ পাই ।
প্ৰথমতে গণেশক ধৰিলেক যাই ॥

১-সেনা ২-পুৰুষালি ৩-হাঁহি ৪-সাক্ষী কৰি

এক হাতে দুয়ো হাত ধৰিলা জপাই ।
কোওা নাওখান যেন লৈ যান্ত ঘসাই ॥
গণেশক এৰি পাছে ধাইল কাৰ্ত্তিকক ।
জাম্প দিয়া ময়ূৰৰ ধৰিলা পাৱত ॥
পুষ্পডাল ভাঙ্গি ভীমে কোবাইবে লাগিল ।
প্ৰাণৰ কাতৰে বীৰ কাৰ্ত্তিক পলাইল ॥
হেন দেখি ভীমে পাছে কুবেৰক ধাইলা ।
এক লাফ মাৰি তাৰ শূল কাঢ়ি লৈলা ॥
হৃদয়ত ভালমতে প্ৰহাৰ কৰিলা ।
আৰো শূল তুলি হানিবাক খেদি গৈলা ॥
কুবেৰে দিলেক লৰ পাছক নচাই ।
হেন দেখি ভীমসেনে গৰ্জি খেদি যায় ॥
বহু বহু বুলি ভীমে কৰে উপহাস ।
ছৱালগোটৰ ভয়ে কিসক পলাস ॥
এহিমতে সবাকো জিনিয়া বৃকোদৰ ।
জল লই আহিল পুনু ৰাজাৰ ওচৰ ॥
যুধিষ্ঠিৰ আগে সব বাৰ্ত্তাক কহিলা ।
শুনি চাৰি ভাই আতি কৌতুকে হাসিলা ।
জলৰ কাহিনী শুনি পাছে চাৰি-ভাই ।
চলিলা তেখনে ভীমসেন আগে যায় ॥
সৰোবৰ-জলত কৰিয়া সবে স্নান ।
অমৃত সমান জল কৰিলন্ত পান ॥
দেখিলেক পৰম উত্তম সিটো স্থান ।
সৰোবৰ কাষৰে সাজিলা বাসাখান ॥
ভীমে আনে আলু কচু ঢেকিয়া কোঞ্চাই ।
কতো দিন খাই কতো উপবাসে যায় ॥
একদিনা ভীমে বোলে ৰাজাৰ আগত ।
শুকাই গৈলেক দেহা অন্নৰ দুখত ॥
মেলানি দিয়োক দাদা কৈলাসক যাওঁ ।
মহাদেৱৰ গৰু চাৰি প্ৰাণ প্ৰবৰ্ত্তাও ॥
আৰো এক কথা কহো তোমাৰ আগত ।
কিছুমান শৰ মই শিকোঁ শঙ্কৰত ॥



হেন শুনি চাৰি ভাই অনুমতি দিলা ।
কুন্তীক প্ৰণামি ভীম তেখনে চলিলা১ ॥
কৈলাশত ভীম — অনন্তৰে পাইলা যাই কৈলাস শিখৰ ।
দেখন্ত ডম্বৰু বজাই আছন্ত শঙ্কৰ ॥
দণ্ডৱতে ভীমে যাই নমিলা চৰণ ।
মহাদেৱে বোলে তই কাহাৰ নন্দন ॥
ভীমে বোলে প্ৰভু মই বান্দীৰ২ তনয় ।
গৰু চাৰি থাকিবোঁহো তোমাৰ আলয় ॥
শঙ্কৰে বোলয় শিশু পৰম বিশাল ।
কাৰ্ত্তিক-গণপতি সমে দেখিবাক ভাল ॥
স্বৰূপ কহিলোঁ আমি তেহোঁৰ আগত ।
থাকোঁ ক্ৰীড়ি ফুৰা কাৰ্ত্তিক-গণৰ লগত ॥
কাৰ্ত্তিক-গণপতি পাছে তৈতে আসি ভৈলা ।
দূৰহন্তে দেখি দুয়ো ভীমক চিনিলা ॥
বোলে এই পুষ্পভাঙ্গা দাৰুণ৩ ছৱাল ।
ৰহ আজি কোবাই ছিণ্ডিবো তোৰ ছাল ॥
শিৱক সম্বোধি বোলে শুনিও গোঁসাই ।
বনমাজে আছে ইটো আমাক কোবাই ॥
হেন শুনি শঙ্কৰে হাসিয়া মুচুকাই ।
মোৰ পুত্ৰ বুলি কিবা তোমাক চিনই ॥
নিচিনি নজানি দ্বন্দ্ব কৰিলেক বনে ।
এবে শিশু থাকিবেক আমাৰ ভৱনে ॥
নিচিনিলে নাজানিলে জানিবেক কোনে ।
আৰে যদি মাৰে মন্দ বুলিবা তেখনে ॥
অনন্তৰে পাৰ্বতীয়ো তৈতে লাগি গৈলা ।
মহাদেৱৰ ঘৰত গৰখীয়া ভীম — গৰু চাৰিবাক লাগি আশ্বাসে কৰিলা ॥
পাৰ্বতী বোলয় শিশু মোৰ ঘৰে থাক ।
যতেক লাগয় মানে অন্ন দিবোঁ তোক ॥
এগুটি৪ বলধ জানা মোহোৰ ঘৰত ।
কাৰ্ত্তিক-গণপতি দুয়ো চাৰিবে লগত ॥
হৰাইলে ভঙ্গুৱা আৰো আনিবে বিচাৰি ।
তোহোৰ আগত মই কৈলোঁ নিষ্ঠ কৰি ॥

১-গ'ল ২-দাসীৰ ৩-কঠোৰ ৪-এটা

হেন শুনি ভীমে পাছে বুলিলা বচন ।
শুনা আই কহোঁ আগে কথাৰ কাৰণ ।।
এতিক্ষণে ৰাখাঁ যদি মোক তুমি আই ।
পাছে জানো বোলা ইটো বহু ভাত খায় ।।
হেন শুনি পাৰ্ব্বতীয়ে তুলিলেক হাস ।
টিপচি গোটেনো তই কত ভাত খাস ।।
চৌষষ্টি যোগিনী খায় আৰু ভূতগণ ।
তোক লাগি আমাসাৰ নুজুৰিবে অন্ন ।।
ভীমে বোলে আই মই কহো ভাঙ্গি ।
নিত্য মোক লাগে জানা ভাত সাত সাঙ্গি ।।
ব্যঞ্জন লাগয় জানো নাও সাত কুণ্ডা ।
পাছে জানো ঘৰত লাগয় খুকাখুন্দা ।।
ভাঙ্গা ঘৰ ভাঙ্গা বেৰ ফাটা জুলীখান ।
ঘৰ মাজে নাই দেখো গোটা চাৰি ধান ।
শিব সৰ্ব বৰদাতা ত্ৰিভুৱনে গায় ।
ঘৰ মাজে দেখোঁ তোমাসাৰ একো নাই ।।
নাই বস্ত্ৰ ধন ৰত্ন মণি-মুক্তাহাৰ ।
নৰ মুণ্ডমালা সৰ্প ভূষণ গলাৰ১ ।।
তেল নাই কেশ বান্ধি আছে জটাজুটি ।
দুৰ্গন্ধে দূৰতে তাৰ প্ৰাণ যায় ফুটি ।।
মেহ্াই আছয় সৰ্পসৱ হাতে-গলে ।
জগতৰ গুৰু সি কি তোমাসাক বোলে ।।
ভিক্ষা অন্নে পেট পোষে শঙ্কৰ গোঁসাই ।
ইটো কথা শুনি নহাসিব কোনে আই ।।
পাৰ্ব্বতী বোলয় শিশুগুটি বৰ টালি ।
পৰশুইৰ কথা কহে কালিৰ ছৱালি ।!
জগতৰ ধন ধান সকলো আমাৰ ।
আমাসাত কৰি কোন দেৱ আছে চাৰ২ ।।
গৰু চাৰি খৰি লুৰি আনি দিবি মোক ।
যতমানে লাগয় মই ভাত দিবোঁ তোক ।।
ভীমে বোলে আই তেবে এহি কথা হোক ।
পাছ কালে খেদাইবাক নপাৰিবা মোক ।।

১-ডিঙিৰ ২-ডাঙৰ ৩ তেদনহলে তেন্তে



এহি বুলি ভীমে যাই বৃষভ মেলিলা ।
কাৰ্ত্তিক-গণপতি দুয়ো লগতে লৰিলা ১ ॥
কতো বেলি পাইলা যাই কৈলাস শিখৰ ২ ।
বৃষভ মেলিয়া নিয়া বনৰ কাষৰ ॥
ভীমে বোলে বৃষভ তই থাক ইখানত ।
ফল-মূল খাই আমি আসোঁ পৰ্ব্বতত ॥
নাযাইবি দূৰক তই থাক এহি ঠাই ।
গৈলে ঠেং-ঠুং ভাঙ্গি মাৰিবোঁ কোবাই ॥
এহি বুলি ভীমে গৈয়া পৰ্ব্বতে চড়িলা ।
কাৰ্ত্তিক-গণপতি দুয়ো লগতে লৰিলা ॥
বৰ বৰ বৃক্ষ ভীমে দিলয় দোঁৱাই ।
কাৰ্ত্তিক গণপতি দুয়ো পকাফল খায় ॥
বৃষভেয়ো নৰ নৰ তৃণ খাৰ পাই ।

বিশ্বামিত্ৰৰ তপোবনত গৰখীয়া ভীমৰ বৃষভ

লাহে লাহে চলিয়া গৈলেক বহু ঠাই ॥
বিশ্বামিত্ৰ ঋষিৰ আশ্ৰম যৈতে আছে ।
লুকুকা ৩ বৃষভ তাত পশিলেক পাছে ॥
ৰুৱা আছে ঋষি মধুবনক সুৰাৰ ।
পশিলা বৃষভ তাৰ ভাঙ্গিলা হেঙাৰ ॥
পৰম সুস্বাদু মধুবন অতিৰেক ।
খাই ভাঙ্গি বৃষে অন্ত কৰিলে প্ৰত্যেক ॥
হেন দেখি ঋষি ক্ৰোধে খেদিয়া আসিলা ।
কাৰ্ত্তিক-গণপতি ভীম তথাতে ঠেকিলা ৪ ॥
বিশ্বামিত্ৰ বোলে ওৰে কোথেৰ দুৰ্জন ।
গৰু মেলি কিয় খুৱাইলিহি মোৰ বন ॥
ভীমে বোলে পৰ্ব্বতত আছিলোঁ আতাই ।
বাৰী-লুৰা দুষ্ট গৰু আসিল পলাই ॥
চৰণত ধৰোঁ গুৰু নশপিবা মোক ।
তোমাৰ আগত বৃষভক দিওঁ শেক ৫ ॥
এহি বুলি লাঙ্গুলত ধৰিলেক যাই ।
আছাৰি পেলাইল সাত পাকক ঘূৰাই ॥
কত দূৰে পৰিয়া কম্পয় বৰ টানে ।
মৰ-গু হাগিলা ৬ বৃষে দশ পাচি মান ।

১-গ'ল ২-উচ্চভাগ ৩-লুত্ ৰা ৪-লগ পালে ৫-সেকা, শাস্তি, ৬-শৌচ কৰিলে

কাৰ্ত্তিক-গণপতি বোলে মাৰিলিহি গৰু ।
দেখি ভীমে উভাৰি লৈলেক শাল তৰু ॥
ভীমে বোলে মাৰিলিহি গৰু তুই ভাই ।
মোক বাদ দিয় কিয় মাৰিবোঁ কোবাই ॥
কতো দূৰে বিশ্বামিত্ৰ ঋষি আছে চাই ।
ভীমে বোলে সাক্ষী তুমি হৈবাহা আতাই ॥
মাকে-বাপেকে গৰু চাৰিবাক দিল ।
সোধা কি কাৰণে তুয়ো গৰুক মাৰিল ॥
বিশ্বামিত্ৰে বোলে ওৰে টেটণ-লটক ।
তই গৰু মাৰি বাদ ১ দিয়ক আনক ॥
মোহোৰ ২ আগত গৰু মাৰিলি আছাৰি ।
শঙ্কৰৰ পুত্ৰক যোটহ কেনে কৰি ॥
ভীমে বোলে ঋষি তোৰ কাকে ৩ খালে আখি ৪ ।
মই গৰু মাৰিলোঁহো কহ হুৰা সাথী ॥
তোৰ শহ ৫ মাজে গৰু আছয় মৰিয়া ।
শহ খাইলে বুলি তই মাৰিলি কোবায়া ।
হাতত আছয় তোৰ দণ্ডধৰ বাৰি ৬ ।
আৰে ঋষি বোলাই হাতে মুচৰস দাড়ি ॥
হেন শুনি বিশ্বামিত্ৰে গুণে মনে মন ।
নজানোঁ কোথেৰ ইটো পৰম তুৰ্জন ॥
শঙ্কৰৰ পুত্ৰক কৰিছে এতমান ৭ ।
মই কোন ক্ষুদ্ৰ ঋষি এৰ বিদ্যমান ৮ ॥
তিনিয়ো মিলিয়া যদি এক কথা কয় ।
তেৱে জানো ঘূৰি দায় আমাত লাগয় ॥
এহি বুলি ভুণি ৯ তুলি ঋষি লৰ দিলা ।
ডাঙ্গ ১০ ধৰি ভীমে বৃষভৰ পাশে গৈলা ।
হেন দেখি বৃষভৰ মনে ভৈলা ডৰ ১১ ।
আৰো মাৰি বুলি উঠি দিলেক লৰৰ ॥
অনন্তৰে আসি বেলা ভৈলা তুই পৰ ।
বৃষভ বান্ধিল নিয়া বীৰ বৃকোদৰ ।

১-অপবাদ ২-মোৰ ৩-কাউৰী ৪-চকু ৫-শস্য ৬-লাঠি ৭-ইমান ৮-আগত বৰ্ত্তমানত ৯-চুৰিয়া ১০ টাঙোন ১১ ভয় ।



ভাতৰ পাতত ভীম

ভাত খাওঁ বুলি ভীমে বৃষভ বান্ধিলা ।
কাৰ্ত্তিক-গণপতি ভাত খাইবাক লাগিলা ॥
ভীমক দিলন্ত ভাত থালক ভৰাই ।
এক গ্ৰাসে ভীমে তাক পেহলাইলেক খাই ॥
আঞ্জা দিওঁ বুলি দেৱী ভিতৰক গৈলা ।
শুদা ভাত গাল খাইয়া আণ্টাইলা ॥
ব্যঞ্জন আনিয়া দেৱী দেখিলন্ত পাছে ।
শুদা থালখন গৰখীয়া আগে আছে ॥
দিলোঁ কি নিদিলোঁ ভাত বুলি দেৱী চাই ।
পুনু ভাত আনিবাক গৈলেক সোমাই ।
আনিয়া অনেক অন্ন ভীমক দিলেক ।
গৰাসচেৰেক ভীম খায়া আণ্টাইলেক ॥

চৰু উদং : বান্ধনীৰ মহাচিন্তা

দেখি দেৱী পুনৰ্বাৰ আৰো ভাত দিলা ।
তুই গৰাসতে ভীমে তাহাকো গিলিলা ॥
চৰুৰ ব্যঞ্জন অন্ন সকলে ঢ়কাইল ।
দেখি পাৰ্বতীৰ মনে বিস্ময় মিলিল ॥
ডাক দিয়া ভীমে বোলে শুনিয়োক আই ।
আৰো ভাত আন মোৰ ভোক নপলায় ॥
ভাত নাই দেখি দেৱী ওলাই নাহিলা ।
অসন্তোষ কৰি ভীমে আচান্ত ১ কৰিলা ।
আচান্ত কৰিয়া ভীমে বুলিলা বচন ।
কৈত আছে তোমাসাৰ ভিক্ষা জুলিখান ॥
আছে যদি চাউল খুদ দিয়া মোক আই ।
আধাপেটী বৈলোঁ তাকে পেলাওঁ চোবাই ॥
হেন শুনি পাৰ্বতীয়ে বুলিলা বচন ।
আজি বাপু মোৰ ঘৰে নাহি খুদকণ ॥
হেন শুনি ভীমে পাছে বুলিলেক বাক ২ ।
গৰু চাৰিবাক লাগি পাঞ্চা ৩ যাকে তাক ॥
বূঢ়া গৰু ফুৰে সিটো লৰবৰ কৰি ।
ভাত নখাই তাহাক চাৰিবোঁ কেনে কৰি ॥
নচাৰোঁহো গৰু মই যৈকে তৈকে যাওঁ ।
তোমাসাৰ ঘৰে আই বৰ তুঃখ পাওঁ ॥

১-মুখ ধোৱা, ২-কথা, ৩-পঠোৱা ।

ৰাতি-দিনে তোহোৰ ভাঙ্গৰ নাই উড়ি ।
সকলোৱে খুন্দি মৰ ভাঙ্গৰহে গুড়ি ॥
ধান নাই ভাঙ্গৰ পাতিয়া আছা ডুলি ।
ভাঙক ধৰিছা তোৰা পঞ্চামৃত বুলি ॥
ঘোঁৰা নাই গৰুৰ উপৰে ফুৰা উঠি ।
ঘৰ ঘৰে চাউল মাগি আনা একমুঠি ॥
কাৰ্ত্তিক-গণপতি সমে থাকা তাকে খাই ।
খাইবে নপাই শিৱে ফুৰে ডম্বৰু বজাই ॥
ভীমৰ বচনে পাৰ্বতীয়ে লাজ পাই ।
তেতিক্ষণে ১ মহাদেউক ধৰিলেক যাই ॥
পাৰ্বতী বদতি প্ৰভু শুনা ত্ৰিলোচন ।
একবাৰ কিৰিষি কৰিবে দিয়া মন ॥
ভিক্ষাৰ চাউলে জানা পেট নুপুৰয় ।
খাইবে নপাই গৰখীয়া আবাৰ ২ কৰয় ॥
নিগদতি শিৱ শুনা পাৰ্বতী উত্তৰ ।
কিমতে কৰিবোঁ কৃষি কাম গুৰুতৰ ॥
তৃষ্ণৰ কৃষিক মই কৰিবোঁ কিমত ।
নাহি কড়াকড়ি ধন মোহোৰ ঘৰত ॥
পাৰ্বতী বদতি প্ৰভু ভয় এৰা মনে ।
মাটি খুজি লৈয়ো কিছু বাসবৰ ৩ স্থানে ॥
কঠিয়া আনাহা খুজি সখি কুবেৰত ।
নাঙ্গল আনাহা খুজি বলো যে ভদ্ৰত ॥
যমৰ মহিষ গোট আনিয়োক যাই ।
তোমাৰ বৃষভ আছে কৰা একে ঠাই ॥
ত্ৰিশূলত ফাল কৰি হালক যুৰিয়ো ॥

মহাদেৱৰ কৃষি-কাৰ্য্য

এহিমতে কৃষি কাৰ্য্য বিধান কৰিয়ো ॥
পাৰ্বতীৰ বাক্যে শিৱ তেতিক্ষণে যাই ।
আনিলা সকলে দ্ৰব্য সি সৱৰ ঠাই ।
হেনমতে শঙ্কৰে যে কৃষিত ধৰিলা ।
ষোড়শ হাজাৰ মাটি মুকলি কৰিলা ॥
হালবাই ভূমিখান কৰিলেক চাষ ৪ ।
বৈলা বিধে বিধে ধান যত কৃত্তিবাস ॥

১-তেতিয়াই, ২-লগেলগে চিঞৰ ৩-ইন্দ্ৰ ৪-চাহ ৫-মহাদেৱ



ডবাডবে গজি ধান উঠিলা প্ৰত্যেক ।
দেখি মহাদেৱৰ আনন্দ অতিৰেক ॥
ক'তো ডৰা মেলে থোক ক'তো যে পকিছে ।
নিৰন্তৰে মহাদেৱ তাহাক ৰাখিছে ॥
দিনেক শঙ্কৰে বোলে শুনিও পাৰ্বতী ।
কতিহো[১] নযাইবা তুমি কৃষিৰ যে ভিতি ॥
বাৰু বুলি পাৰ্বতী থাকিলা আথেবেথে ।
মনে ভাবে কিয় হাক দিলা ভোলানাথে ॥
পাছে একদিনা আই মহেশক আৰে ।
ক্ষেত্ৰক গৈলন্ত গুপ্তভাবে একেশ্বৰে[২] ॥
দেখিলেক কৃষি স্থান জলে অতিশয় ।
ডবাডবে ধান সব পকিয়া আছয় ॥
শিৱৰ কাৰ্য্যত দেৱী আচৰিত মানি ।
উস্-আস্ এই দুই উচ্চাৰিলা বাণী ॥
তাত হন্তে[৩] খোবা-খোবী হুয়া উতপন[৪] ।
ধান খান পুৰি সবে কৰিলেক ছন্ন ॥
হেন দেখি দেৱী বৰ বিস্ময় মানিলা ।
ভালেতো আসিবে প্ৰভু মোক হাক দিলা ।
এহি বুলি ভগৱতী পালটি আসিলা ॥
দুখে লাজে সিটো কথা কাকো নকহিলা ॥
একদিনা শিৱে যাই দেখিলেক পাছে ।
দেখিলেক ধান খান সৱে পুৰি আছে ॥
পাৰ্বতীৰ কাৰ্য্য বুলি ঘৰক আসিলা ॥
কিসক গৈলাহা বলি বিস্তৰ খঙ্গিলা ।
পাৰ্বতী বদতি প্ৰভু গৈলোঁহো হঠাত ।
পুৰিলেক ধান খান দেখিলোঁ সাক্ষাত ॥
চৰণত ধৰোঁ প্ৰভু দোষ মৰিষয়ো ।
আৰু একবাৰ প্ৰভু খেতিক কৰিয়ো ॥
শুনিয়া শঙ্কৰে আৰবাৰ ধান বৈলা ।
গজি ধান খান গৈয়া তেখনে পকিলা ॥
শঙ্কৰে বোলয় দেৱী পকিলেক ধান ।
গৰখীয়া পাঞ্চিয়া ধানৰ আগ আন ॥

১, কেতিয়াও ২, অকলশৰে ৩, পৰা ৪, আবিৰ্ভাব

হেন শুনি পাৰ্বতীয়ে ভীমক পাঞ্চিলা ।
কাচিখান লৈয়া ভীমে তেখনে চলিলা ॥
নিমিষেকে ভীমে ধান পেহলাইলেক কাটি ।
সৰু সৰু হাতৰ ভৈলেক তিনি মুঠি ॥
ধান কাটি ভীমে আসি বুলিলেক বাক ।
এহি ধান দাইবে লাগি পঠাইলা আমাক ॥
কি কৰিবে কৃষি আই ভঙ্গুৰা শঙ্কৰ ।
কৈত শুনি আছাহা চহকী ভিক্ষুকৰ ॥
ভুঁই-কৰোঁ বুলি চাউল আনা মাগি যাচি ।
অন্ন-ব্যঞ্জন মানে তাঙ্ক দিয়া বাচি ।
ভাঙ্গ ধতুৰা গুড়ি জুমুঠি হাতত ।
বাটে হোকা খাই শিৰ ফুৰয় সতত ॥
ভুঁই-কৰোঁ বুলি ঐৰপৰা চলি যায় ।
গছৰ তলত বসি থাকে ভাঙ্গ খাই ।
লাহে লাহে বায়ু যদি লাগিল গাৱত ।
বাঘ-ছাল পাৰি শোৱে তাহাৰ তলত ॥
নিদ্ৰা গৈয়া অচেতন ভাৱে থাকে পৰি ।
ঢোন্দা কাকে[1] চাৰিফালে খুটিয়াৰে বেঢ়ি ॥
গধূলি সময় ভৈলে লভয় চেতন ।
ঘৰক আসয় মাৰি ঘাৰ চাৰিমান ॥
হেন শুনি মহেশ্বৰ তুলিলেক হাস ।
মিছা কথা কহি দন্দ লগাইবাক চাস ॥
পাৰ্বতী বোলয় মই পাৰোঁ পৰমাণ[2] ।
তোমাৰ খেতিৰ প্ৰভু এহিমান ধান ॥
ভোলানাথ তোমাৰ গাৱত নাই তত ।
খেতিৰ চাউল খাইবে নাহি কপালত ॥
হেন শুনি মহেশ্বৰৰ ক্ৰোধ উপজিলা ।
ধানৰ মুঠিত গৈয়া অগনি লগাইলা ॥
দেখি ভীমে বেগে চাই আচাৰি পেলাইল ।
নুমাইবাক নপাৰিল অগনি বাঢ়িল ॥
এহিমতে সাত দিন ধান পুৰি আছে ।
এক দিনা শঙ্কৰে যে দেখিলেক পাছে ॥

১-ঢোবা-কাউৰী ২-প্ৰমাণ



কমণ্ডলু[1] জলে নুমাইলাহা মুণ্ডমালী[2] ।
সিকাৰণে কিছু আছু কিছু ভৈলা শালি ॥
ৰাম সৰস্বতী ভণে এড়া আন কাম ।
পাতক ছাড়োক ডাকি বোলা ৰাম ৰাম ॥

## ॥ পদ ॥

বৈশম্পায়ন বদতি শুনিয়ো নৰেশ্বৰ ।
আৰো এক কথা কহো দুৰ্জয় ভীমৰ ॥
এক দিনা ভীমে খৰি লুৰিবাক গৈলা ।
কাৰ্ত্তিক-গণপতি দুয়ো লগতে লৰিলা ॥
কতোবেলি পাইলা গৈয়া কুবেৰৰ গড় ।
ভয়ঙ্কৰ কাঠ বান্ধি আছে দৃঢ়তৰ ॥
ভীমে বোলে শুনা কাৰ্ত্তিক-গণপতি ভাই ।
দেখা কেনে গড়খান আছয় শুকাই ॥
আৰে কিছুমান ভাঙ্গি লৈয়া যাওঁ চল ।

*কুবেৰৰ গড়-ঘৰ ভাঙি ভীমৰ খৰি অনা কাৰ্য্য*

হাবিত সোমায়া মৰিবাৰ কোন ফল ॥
কাৰ্ত্তিক-গণপতি দুয়ো তুলিলেক হাস ।
কুবেৰৰ গড় ভাঙ্গি মৰিবাক চাস ।
অসংখ্য ধন আছে ইহাৰ ভিতৰ ।
গড় ভাঙি লগাইবাক খোজস জগৰ ॥
অসংখ্যাত যক্ষ আছে ৰক্ষক ধনৰ ।
মাৰিবেক সিটো সবে কোপ কৰি বৰ ॥
ভীমে বোলে কি কৰিব কুবেৰক মাত ।
শুকান কাঠক নিবোঁ কিবা দায় আত ॥
এহি বুলি ভীমে গড় ভাঙ্গিবাক লৈলা ।
পৰ্বত সমান কৰি বোজাক বান্ধিলা ॥
ষাঠি লক্ষ ঘৰ ভাঙ্গি মাৰলী আনিলা ।
বোজাৰ উপৰ ভীম তাহাকে বান্ধিলা ॥
দাঙ্গি চায় বোজা তেবে পাতলক পাই ।
অন্বেষপুৰক লাগি শীঘ্ৰে বেগে যায় ॥
তাত সাত গোট বৰ গড় যে আছয় ।
তাকো ভাঙ্গি ভীমে যায় ভিতৰ পশয় ॥

১-পানীখোৱা পাত্ৰ, ২-মানুহৰ মূৰৰ খোলা গাঁথি মালাপিন্ধা ( মহাদেৱ )

কতো বেলি পাইল গৈয়া কুবেৰৰ ঘৰ ।
প্ৰকাশ কৰয় গৃহে কৈলাশ শিখৰ ॥
সুবৰ্ণৰ কাঠি কামি ৰূপৰ মাৰলী ।
আজুৰি ভাঙ্গিলা ভীমে খৰি লোৰোঁ বুলি ॥
হেন দেখি কুবেৰৰ বৰ কোপ মন ।
আঠ গোট কুবেৰ ধাইলন্ত তেতিক্ষণে ॥
জলচূৰ শঙ্খচূৰ লক্ষচূৰ বীৰা ॥
অশ্বমুখ ধনপোটা দুৰ্জয় ত্ৰিশিৰা ।
এহি আঠ কুবেৰে যে ভীমক জাম্পিলা[1] ॥
মাৰলী ধৰিয়া ভীমে কোবেক বৈসালা ॥
একে কোবে ত্ৰিশিৰাৰ ছিঙ্গিলেক কাণ ।
পোতা কুবেৰৰ ভাগিলেক বাহু খান ॥
জল কুবেৰৰ এক চক্ষু গৈলা ফুটি ।
বীৰা কুবেৰৰ চোটে ভাঙ্গিলেক কটি ॥
ভয় পাই আন সবে পলাইলেক অতি ।
কুবেৰে বোলয় মোক পাইলেক দুৰ্মতি ॥
শুনা যক্ষগণ কেহোঁ নমাতিবা আক ।
ঘৰ ভাঙ্গি জানো পাছে ধৰয় আমাক ॥
ইটো মহা দুৰ্জন বলিষ্ঠ অতিশয় ।
পূৰ্বে পুষ্প বন যে ভাঙ্গিল দুৰাশয় ॥
মাৰিল ৰক্ষক যক্ষ অনেক দাৰুণ[2] ।
আমাকো ভঙ্গাইল যুদ্ধ কৰিয়া নিপুণ ॥
আৰে মহেশ্বৰৰ গৰখীয়া হুয়া আছে ।
জঙ্কাইলে[3] মহেশো জানো কোপিবেক[4] পাছে ॥
হেন শুনি তাক আৰু কেহোঁ নমাতিলা ।
বোজা লইয়া ভীমসেন সত্বৰে[5] আসিলা ॥
ভীমে বোলে বোজাক থৈবোহোঁ কোন ঠাই ।
ঠাট্কাৰ শব্দে পেলাইলে গিৰিসাই[6] ॥
সাত গোটা গড় শঙ্কৰৰ যে আছিলা ।
বোজাৰ ভৰত সবে চূৰ্ণাকৃত ভৈলা ॥
অসংখ্যাত মৰিলেক ভূত প্ৰেতগণ ।
তৰু বন ছন্ন ভৈল কতো দূৰমান ॥

১-জঁপিয়াই পৰিল, ২-নিষ্ঠুৰ ৩-জোকালে, ৪-খং কৰিব, ৫-শীঘ্ৰে, ৬-বেগাই



বোজা দেখি পাৰ্বতীৰ মনত বিস্ময় ।
বোলে ইটো কোন মায়া কৰিয়া আছয় ॥
এহি বুলি দেৱী ভাত দিলা থাল ভৰি ।
খাই বৈ ভীমে আছে কৌতূহল কৰি ॥
বৈশম্পায়ন বদতি শুনা ৰাজা পাছে ।
এহিমতে ভীমসেন কতো দিন আছে ॥
এক দিনা দেৱী কুবেৰত খোজে ধন ।
নেদোঁ ধন কুবেৰে যে বুলিলা বচন ॥
তোমাসাক ধন মই নপাৰোঁ দিবাক ।
নোহে তোমাসাৰ মন ধাৰ সুজিবাক ॥
পূৰ্বে একবাৰ টঙ্কা[1] চল্লিশ হাজাৰ ।
আনিলেক শিৱে মোত হন্তে[2] কৰি ধাৰ ॥
আজিকো প্ৰভৃতি সিটো নভৈল সুজন ।
খুজিলেও ভাঙ্গ খুন্দা জোকাৰে টাঙ্গন ॥
সিটো দুঃখে মই ধন আশাক এৰিলোঁ ।
ধনপোতা যক্ষৰ আগত গৈয়া কৈলোঁ ॥
ধনপোতা যক্ষে আশা এৰিব নোৱাৰি ।
খুজিলেক এক দিন ধন আগবাঢ়ি ॥
টঙ্কিয়া[3] মহেশে তাঙ্ক কুন্দা[4] ধৰি বাৰি[5] ।
দান্ত দুই সৰাইলে তাৰে খুন্দা মাৰি ॥
ডেকা-সোলা হুয়া সিটো আজিকো আছয় ।
সমনীয়া জনে তাক দেখিয়া হাসয় ॥
বৰ দুঃখ লাগে সিটো কথাক সুমৰি ।
ধন নেদোঁ তোমাসাক বোলোঁ নিষ্ঠ কৰি ॥
অন্যে ধন ধাৰে নিলে লাভে মূলে পায় ।
ভঙ্গুৱাক ধাৰে দিলে সমূলে[6] হেৰায় ॥
হেন শুনি পাৰ্বতীয়ে মহেশত কৈলা ।
মই ধাৰে আনোঁ বুলি মহেশ উঠিলা ॥
ভীমক চাহিয়া হেন বুলিলা বচন ।
কৈত আছে আন মোৰ ভাঙ্গ-জুলিখান ॥
হেন শুনি ভীমে জুলি আনিবাক গৈলা ।
মনুষ্যৰ মুণ্ডমালা দেখি ঘৃণা ভৈলা ॥

১-টকা ২-পৰা ৩-খংকৰি, ধমকি দি ৪-ডাঙৰ কাঠ বা বাহ ৫-টাঙোন
৬-মূলধন সহ

নচুইলেক জুলি ঘিণে বায়ুৰ নন্দন ।
আলগাই নেওঁ বুলি কৰিলে যতন ॥
পাছে ভীমে পৰ্বতৰ চতুঃপাশে ফুৰি ।
দোঙ্গাইয়া শিলাখণ্ড লৈলন্ত উভাৰি ॥
জুলি সমে নিয়া মহেশ্বৰ আগে দিলা ।

ধন ধাৰে আনিবলৈ ভীমৰ কুবেৰৰ ওচৰলৈ গমন

দেখি মহাদেৱে চাই ঈষৎ[১] হাসিলা ॥
ভীমে বোলে গুৰু তুমি থাকিয়োঁ ইঠাই ।
কুবেৰত ধন ধাৰে মই আনোঁ যাই ॥
এহি বুলি মহাবেগে গৈলা বায়ু-স্নুত[২] ।
মনুষ্য নিবাক যেন আসে যমদূত ॥
ক্ষতো বেলি পাইলা গই কুবেৰৰ ঘৰ ।
মূৰ্ত্তি দেখি কুবেৰে উঠিয়া দিলা লৰ ॥
থাপ দিয়া ভীমে তাৰ চুলিত ধৰিলা ।
পাছ হাতে জৰপুৰ[৩] কৰিয়া বান্ধিলা ॥
বোলে আই পাৰ্বতীয়ে তোত খোজে ধন ।
নেদোঁ ধন হেন গৰ্বে বোলস বচন ॥
আৰে মোৰ হাত এড়াইবি কেন কৰি ।
ভাল মতে শিক্ষা তোক দিবোঁ আজি ধৰি ॥
এহি বুলি পিঠি ফটা বান্ধে যে বান্ধিলা ।
ষাঠি লক্ষ টকা আনি তাৰ মাথে দিলা ॥
কুবেৰে বোলয় মোৰ মাথা ফুটি যায় ।
ধন দেওঁ চাৰ বাপ গোৰক্ষ[৪] আতাই ॥
ভীমে বোলে আৰে ধন দিব লাগে কিক্ ।
কোনে নিব ইটো ধন আই সমীপক[৫] ॥
তই লৈয়া চল শীঘ্ৰে বুলিলোঁ আতাই ।
এহি বুলি বোজা মাথে বান্ধিল জপাই ॥
মৰোঁ মৰোঁ প্ৰাণ যায় কুবেৰে চেঞ্চাই[৬] ।
ভীমে বোলে আজি তোক এৰণ নযায় ॥
ক'লা হাঁহ ক'লা ছাগ তোৰ নিতে বলি ।
নিদিলেও মানুহৰ মাৰ তই ছলি ॥
ভোগ খাই খাই তোৰ বাঢ়িছে লুথৰি[৭] ।
আজি ডাৰি গোফ তুলি ভাঙ্গিবোঁ থুতৰি ॥
জুটুলা-জুটুলী ভোবোকাৰ ডাঢ়িচয় ।
ৰুদ্ৰৰূপী ভীমে কোছা-কোছে উভলই ॥

১-অলপ ২-পুত্ৰ ৩-মজপুত, দঢ় ৪-গৰখীয়া ৫-ওচৰলৈ ৬-চিঞৰে ৭-মঙহ ।



ছিৰাছিৰ কৰি আৰো মুণ্ডিলেক ১ মুণ্ড ।
চূণ কালি দিয়া বিভূষিলা গাৱ তুণ্ড ২ ॥
কপালত দিলা এক কাজলৰ ফোঁট ।
কুবেৰক দেখি যেন হলৌ ৩ পশুগোট ॥

কুবেৰক বান্ধিলৈ ভীমৰ মহাদেৱৰ ওচৰত উপস্থিত

এহিমতে গদাৰে খেলিয়া বৃকোদৰ ।
কুবেৰক লৈয়া পাইল কৈলাস শিখৰ ॥
দেখি মহাদেৱে চাহে ৪ বিস্ময়ে নিৰেক্ষি ৫ ।
কোনে ধৰি বান্ধি আনে মোৰ প্ৰাণসখি ॥
কুবেৰে বোলয় ধন নৰাখিবোঁ আৰ ।
গৰখীয়া পঠায়া চিন্তিলা মোৰ মাৰ ॥
শঙ্কৰে বোলয় তই কোথেৰ দুৰ্জন ।
মোৰ প্ৰাণসখিৰ কৰিলি বিকৰ্থন ॥
ভীমে বোলে-শুন অৰে ভঙ্গুৱা শঙ্কৰ ।
ততালিকে কথা দেখোঁ লৰে তহঁতৰ ॥
এতিক্ষণে বোলে কুবেৰক ধৰি আন ।
কিল-ভুকু বাটত মাৰিবি পাৰেমানে ॥
পাৰ্বতীক চাহি বোলে দেখিয়োক আই ।
তুমি পূৰ্বে কথা শুনি আছা সমুদায় ॥
এখনে জটীয়া দেখোঁ কি বোল বোলয় ।
শুনি অল্প হাসি শিৰে মনত গুণয় ॥
নোহে ইটো অল্পজন ৬ পাণ্ডু-স্নুত ভীম ।
কৃষ্ণৰ প্ৰাসাদে ৭ তাৰ বীৰত্ব অসীম ॥
বনবাসে ফুৰে ইটো ছদ্মবেশ ধৰি ।
ভক্তৰ বীৰত্ব বঢ়াৱন্ত দেৱহৰি ॥
কুবেৰৰ বান্ধ মেলি সাদৰি বচনে ।
পঠাইলন্ত মহাদেৱে আপোন ভৱনে ॥
বৈশম্পায়ন বদতি শুনিও নৰেশ্বৰ ।
ভীমক সম্বুধি পাছে মাতিলন্ত হৰ ৮ ॥
শুনা গৰখীয়া বাপু বচন আমাৰ ।
নিষ্ঠ কৰি কৈয়ো তুমি কাহাৰ কুমাৰ ॥

গৰখীয়া ভীমৰ পৰিচয় দান

শুনি কৰযোৰে ৯ ভীম পৰিয়া পাৱত ।
প্ৰণামি কহিল আপোনাৰ কথা যত ॥
শুনিয়োক কথা প্ৰভু জগত-ঈশান ১০ ।
ভীম মোৰ নাম মই পাণ্ডুৰ সন্তান ॥

১-মূৰ খুৰালে ২-মুখ ৩-ক'লা নেজ নথকা বান্দৰ ৪-চাই ৫-নিৰীক্ষণ কৰি ৬-সামান্য ৭-অনুগ্ৰহত ৮-মহাদেৱ ৯-হাতযোৰ কৰি ১০-পূৱ-উত্তৰ দিশৰ অধিকাৰী ( মহাদেৱ )

যুধিষ্ঠিৰ নৃপতি মোহোৰ জ্যেষ্ঠ ভাই ।
মহাসতী পতিব্ৰতা কুন্তী মোৰ আই ॥
নকুল সহদেৱ বীৰবৰ ধনঞ্জয় ।
এই তিনি ভাই মোৰ কনিষ্ঠ হোৱয় ॥
দুষ্ট কুৰুগণে হিংসে ফুৰোঁ অৰণ্যত ।
আমাসাৰ দুঃখ প্ৰভু নিবেদিবোঁ ক'ত ॥
সম্প্ৰতি শিখিবে অস্ত্ৰ আইলোঁ তযু ঠাই ।
দয়াশীল তুমি দয়া কৰিবে যুবাই ॥

মহাদেৱৰ পৰা ভীমৰ আশীৰ্ব্বাদ লাভ

হেন শুনি হাসি পাছে মাতিলন্ত হৰ ।
ৰণত বিজয়ী হবি দিলোঁ তোক বৰ ॥
গদাযুদ্ধে তোক কোহো নপাৰিবে বলে ।
পাঞ্চ গুটি ভাই বাপু থাকহ কুশলে ॥
এহি বুলি দিলা বহু বিধ অস্ত্ৰচয় ।
দেখি ভীমসেনে অতি আনন্দ হৃদয় ॥
মনোৰথ সিদ্ধি ভৈল পুলকিত ১ কায় ২ ।
শিৱ-পাৰ্বতী ত পাছে লৈলন্ত বিদায় ॥
মেলানি দিয়োকে প্ৰভু যাওঁ নিজ ঠাই ।
কাম্যবনে যুধিষ্ঠিৰে আছে বাট চাই ॥
শুনি মহাদেৱে তাঙ্ক ৩ অনুমতি দিলা ।
বায়ু-বেগে যায়-সুত পালটি ৪ আসিলা ।
কাম্যবনে যুধিষ্ঠিৰ সমে চাৰি ভাই ।
আছন্ত ভীমৰ আগমন বাট চাই ॥
অনন্তৰে ভীমে যাই ভৈল উপগত ৫ ।
দেখি সবাহাৰে আতি কৌতুক মনত ॥
কুন্তীক নমিয়া ৬ ভীমে ৰাজাক নমিলা
তিনি ভাইক আশ্বাসি সমস্তে বাৰ্ত্তা কৈলা ॥
শুনি চাৰি ভাই কুন্তী আনন্দ লভিলা ।
সাধুবাদে ভীমক অনেক প্ৰশংসিলা ।
শুনা সভাসদ মহাভাৰতৰ পদ ।
যাহাকে শ্ৰৱণে ৭ পায় অশেষ সম্পদ ।
ৰাম সৰস্বতী ভণে এড়া আন কাম ।
পাতক ছাড়োক ডাকি বোলা ৰাম ৰাম ।

30539
29/09/04

১-আনন্দিত ২-শৰীৰ ৩-তাক ৪-ঘূৰি, উভতি ৫-উপস্থিত ৬-প্ৰণাম কৰি ৭-শু